# অন্বেষণ



দ্বাদশ বছৰ ▪ তৃতীয় সংখ্যা ▪ এপ্ৰিল, ২০২৫



## সুনীতা উইলিয়ামছ : ধৈৰ্য্য, সাহস আৰু সংকল্পৰ প্ৰতিভূ



## ব'হাগেই বতৰ কিজানি

## নিয়ৰ আৰু কুঁৱলী

# ADMISSIONS OPEN
# *for* CLASS XI



## ARTS AND SCIENCE
## 2025-26

### BOARD : ASSEB

### MEDIUM :
### Assamese & English

- CONCEPT-BASED REGULAR CLASSES
- EXPERIENCED FACULTY MEMBERS
- 1:20 TEACHER-STUDENT RATIO
- 5 SCIENCE LABS, 3 COMPUTER LABS
- ENGLISH LANGUAGE LAB
- HOSTEL FACILITIES
- SMART CLASSROOM
- CAREER COUNSELLING
- REGULAR MOCK TESTS
- CUET CLASSES

## ASSAM JATIYA BIDYALAY

Noonmati, Guwahati-781020

31 YEARS OF CONTINUING PURSUIT OF EXCELLENCE

**CONTACT No. : +91-96786 93812/ +91-75778 65541**

# অন্বেষণ

**দ্বাদশ বছৰ, তৃতীয় সংখ্যা, এপ্ৰিল, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **সুনীতা উইলিয়ামছ — ধৈৰ্য্য, সাহস আৰু সংকল্পৰ প্ৰতিভূ**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **নিয়ৰ আৰু কুঁৱলী**
■ দিগন্ত তালুকদাৰ

১০ **অস্কাৰ বঁটাৰ বাছনি প্ৰক্ৰিয়া আৰু ৯৭ সংখ্যক অস্কাৰ বঁটা**
■ অভিজিত চক্ৰৱৰ্তী

১২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৮ **মুখা শিল্প**
■ ৰীতামণি মহন্ত

২০ **কুইজ**
■ দীপাংকৰ কৌশিক

২১ **জিএগ্ৰা**
■ সুদীপ্তা চৌধুৰী

২২ **টালিমেৰেন আও**
■ ৰাজশ্ৰী লহকৰ

২৪ **চুড’কু**

২৫ **Stories from World Classics**
■ Neha Bora

২৬ **Did You Know**
■ Jyotirekha Kalita

২৭ **সুতুলি**
■ হিমাদ্ৰী বৰা

২৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩০ **এটি সপোনৰ পম খেদি...**
■ ঋতুমল্লিকা গোস্বামী

৩২ **এলবাৰ্ট আইনষ্টাইন**
■ জেনিশা চন্দনা হাঁলৈ

৩৩ **ফাগুন**
■ স্বৰগম তালুকদাৰ

৩৩ **অ’ দেউতা**
■ নিচান প্ৰতীম ভৰদ্বাজ

৩৩ **তৰা**
■ অনুৰাগ পাটোৱাৰী

৩৪ **বংগোপসাগৰৰ পাৰত এখন্তেক**
■ উপাসনা চৌধুৰী

৩৫ **সোণকোষ নদী**
■ চিংকুমণি অধিকাৰী

৩৬ **কোট্ৰিয়াথি যুদ্ধ**
■ নৱনীতা কলিতা

৩৭ **ব’হাগেই বতৰ কিজানি**
■ অপৰাজিতা বৰা

৩৯ **জ্ঞানমালিনী**
■ পলাশ কুমাৰ নাথ

৪০ **মুদ্ৰাস্ফীতি**
■ অপৰ্ণা দেৱী

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# সুনীতা উইলিয়ামছ : ধৈৰ্য্য, সাহস আৰু সংকল্পৰ প্ৰতিভূ

■ অভিজিত শৰ্মা বৰুৱা



প্ৰায় ন মাহ জোৰা জল্পনা-কল্পনাৰ অন্তত যোৱা ১৮ মাৰ্চত আমেৰিকান মহাকাশচাৰী সুনীতা উইলিয়ামছ (Sunita Williams) আৰু তেওঁৰ সতীৰ্থ বুটছ উইলম'ৰ (Butch Wilmore) আহি পৃথিৱীত উপস্থিত হ'ল। সেইদিনা তেওঁলোকৰ স্পেচ-এক্স কেপছুলটো ফ্ল'ৰিডাৰ উপকূলত অৱতৰণ কৰাৰ পাছত তেওঁলোকক হেলিকপ্টাৰেৰে হাউষ্টনত অৱস্থিত নাছাৰ জনছন স্পেচ চেণ্টাৰলৈ লৈ যোৱা হ'ল। তাত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয় আৰু তাৰ পাছত তেওঁলোক নিজৰ নিজৰ পৰিয়ালৰ লগত মিলিত হয়। অৱশ্যে বেছ কিছুদিন তেওঁলোকক নাছাই (NASA – National Aeronautics and Space Administration) 'কোৱাৰেণ্টাইন'ত তীক্ষ্ণ পৰ্য্যবেক্ষণৰ মাজত ৰাখিব।

আমাৰ দেশত অৱশ্যে এই ক্ষেত্ৰত সুনীতা উইলিয়ামছে বেছি প্ৰচাৰ পালে। তাৰ কাৰণো আছে। সুনীতা উইলিয়ামছ হ'ল ভাৰতীয় বংশোদ্ভৱ মহাকাশচাৰী। সুনীতাৰ দেউতাক দীপক পাণ্ডিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাসিন্দা হ'লেও, ককাকৰ ঘৰ ভাৰতৰ গুজৰাটত। দীপক পাণ্ডিয়াই প্ৰথমে ভাৰততে পঢ়া-শুনা কৰি আমেৰিকালৈ গৈ এজন স্নায়ুবিশেষজ্ঞ হিচাপে প্ৰতিষ্ঠিত হ'ল আৰু তাতে থাকিবলৈ ল'লে।

**মহাকাশলৈ সুনীতা**

সুনীতা উইলিয়ামছে ১৯৬৫ চনৰ ১৯ ছেপ্টেম্বৰত আমেৰিকাতে (অহিঅ'ৰ ইউক্লিডত) জন্মলাভ কৰিছিল। ১৯৮৩ চনত তেওঁ নীডহাম হাইস্কুলৰ পৰা উত্তীৰ্ণ হয়। ১৯৮৭ চনত তেওঁ ইউনাইটেড ষ্টেটছ নেভেল অকাডেমিৰ পৰা ভৌতিক বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে আৰু ১৯৯৫ চনত ফ্ল'ৰিডা ইন্সটিটিউট অব টেকন'লজিৰ পৰা 'ইঞ্জিনিয়াৰিং মেনেজমেণ্ট'ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৮৭ চনৰ মে' মাহত সুনীতাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৌবাহিনীত নিযুক্তি লাভ কৰে। ১৯৮৯ চনত তেওঁ নৌ-বায়ু সেনাৰ পদ লাভ কৰে আৰু ১৯৯৩ চনত নেভেল টেষ্ট পাইলট স্কুলৰ পৰা ডিগ্ৰী লাভ কৰে। ১৯৯৮ চনত তেওঁক নাছাই ভৱিষ্যৎ মহাকাশচাৰী হিচাপে নিৰ্বাচিত কৰে আৰু সেই বছৰৰে আগষ্ট মাহত তেওঁৰ প্ৰশিক্ষণ আৰম্ভ হয়। মহাকাশত ইতিমধ্যেই স্থাপিত আন্তৰ্জাতিক মহাকাশ আস্থানত থকা কুশলীসকলৰ লগত মিলিত হ'বলৈ ২০০৬ চনৰ ৯ ডিচেম্বৰত সুনীতা উইলিয়ামছ মহাকাশলৈ ৰাওনা হয়। সেইবাৰ নিৰ্দিষ্ট মিছন সম্পূৰ্ণ কৰি ঘূৰি অহাৰ পাছতো সুনীতা উইলিয়ামছ কে'বাবাৰো মহাকাশলৈ গৈছিল। তেওঁ 'এক্সপেডিছন ১৪'ৰ এগৰাকী মহাকাশচাৰী হিচাপে মহাকাশলৈ যোৱাৰ পাছত 'এক্সপেডিছন ১৫' আৰু 'এক্সপেডিছন ৩২'ৰ ফ্লাইট ইঞ্জিনিয়াৰ হিচাপে মহাকাশলৈ গৈছিল। ইয়াৰ পাছৰ 'এক্সপেডিছন ৩৩'ৰ তেওঁ কমাণ্ডাৰ আছিল।

**আন্তৰ্জাতিক মহাকাশ আস্থান** (International Space Station) **কি ?**

আন্তৰ্জাতিক মহাকাশ আস্থান হ'ল মহাকাশত স্থাপিত এক গৱেষণা, পৰ্য্যবেক্ষণ আৰু আবাস কেন্দ্ৰ। বিশ্বৰ পাঁচটা মহাকাশ সংস্থা এই আস্থান স্থাপনৰ লগত জড়িত হৈ আছে। সেইকেইটা হ'ল— নাছা (আমেৰিকা যুক্তৰাষ্ট্ৰ), ৰছকছমছ (ৰাছিয়া), ইউৰোপিয়ান স্পেচ এজেন্সী (ইউৰোপ), জাক্সা (জাপান) আৰু কানাডা স্পেচ এজেন্সী (কানাডা)। প্ৰায় এখন ফুটবল খেলপথাৰৰ সমান এই মহাকাশ আস্থানটো মূলতঃ মাইক্ৰ'গ্ৰেভিটি সম্পৰ্কত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু মহাকাশৰ পৰিবেশ অধ্যয়ন কৰিবৰ বাবে নিৰ্মাণ কৰা হৈছে। এই আস্থানটোত মূলতঃ দুটা ভাগ আছে। প্ৰথমটো হ'ল

'ৰাছিয়ান অৰ্বিটেল ছেগমেণ্ট'। এইটো ৰাছিয়াৰ মহাকাশ সংস্থা ৰছকছমছে সাজি উলিয়াইছে। আনহাতে আন চাৰিটা মহাকাশ গৱেষণা সংস্থাই 'ইউএছ অৰ্বিটেল ছেগমেণ্ট' নামৰ দ্বিতীয়টো অংশ নিৰ্মাণ কৰিছে। আন্তৰ্জাতিক মহাকাশ আস্থানৰ মূল গাঁথনি হ'ল এক প্ৰকাণ্ড 'ইণ্টিগ্ৰেটেড ট্ৰাছ ষ্ট্ৰাকচাৰ'। এই গাঁথনিৰ ওপৰতে সৌৰ পেনেলসমূহ আৰু ৰেডিয়েটৰসমূহ আছে। সৌৰ পেনেলসমূহে এই আস্থানক প্ৰয়োজনীয় শক্তিৰ যোগান ধৰে। আন্তৰ্জাতিক মহাকাশ আস্থানত যথেষ্টসংখ্যক চাপযুক্ত মডিউল বা কুঠৰী আছে। বৈজ্ঞানিক গৱেষণা, আবাসীসকলৰ বাসস্থান, ভঁৰালঘৰ, নিয়ন্ত্ৰণ কক্ষ, বায়ুনিৰুদ্ধ অপাৰেছন আদি বিভিন্ন কামৰ বাবে এই কুঠৰীসমূহ ব্যৱহাৰ কৰা হয়। বিভিন্ন মহাকাশযান আহি ৰ'বৰ বাবে তাত আঠটা 'ডকিং এণ্ড বাৰ্থিং' স্থান আছে। এই আস্থানটোৱে ভূপৃষ্ঠৰ পৰা ৪০৯ কিল'মিটাৰ উচ্চতাত থাকি পৃথিৱীখন প্ৰদক্ষিণ কৰি থাকে। প্ৰায় ৯৩ মিনিটত ই পৃথিৱীখন এপাক মাৰে।

এই আস্থানটো স্থাপনৰ কাম আৰম্ভ হৈছিল ১৯৯৮ চনত। 'প্ৰটন' আৰু 'ছয়ুজ' ৰকেট আৰু কেইখনমান মহাকাশ ছাটল যানে এই আস্থান স্থাপনৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ মহাকাশলৈ লৈ গৈছিল। নিৰ্মাণ শেষ হোৱাৰ পাছত ২০০০ চনৰ ২ নৱেম্বৰৰ পৰা মহাকাশচাৰীসকলে পাল পাতি ইয়াত থাকিবলৈ লৈছিল আৰু আস্থানটোৰ কাম-কাজ চলাই ৰাখিছিল। তাৰ পাছৰ পৰা এতিয়ালৈকে সকলো সময়তে কোনোবা নহয় কোনোবা মহাকাশচাৰী তাত থাকেই। ২০২৪ চনৰ মাৰ্চ মাহৰ এক হিচাপ অনুসৰি ২২ খন দেশৰ ২৭৯ জন লোক তালৈ গৈছিল।

**শেহতীয়া মহাকাশ যাত্ৰা**

২০২৪ চনৰ ৫ জুনত বয়িঙৰ (boeing) ষ্টাৰলাইনাৰ কেপছুলত ভ্ৰমণ কৰা প্ৰথম মহাকাশচাৰী হিচাপে সুনীতা উইলিয়ামছ আৰু বুটছ উইলম'ৰ আঠ দিনৰ বাবে মহাকাশলৈ গৈছিল। তেওঁলোকক লৈ যোৱা ষ্টাৰলাইনাৰ ছাটল মহাকাশযানখনে তেওঁলোকক আন্তৰ্জাতিক মহাকাশ আস্থানলৈ নিৰাপদে লৈ আহিলে ঠিকেই, কিন্তু গৈ থাকোঁতে সেই ছাটল যানখনৰ প্ৰপালছন ছিষ্টেমত বিন্ধাৰ সৃষ্টি হৈ কিছু হিলিয়াম গেছ ওলাই গৈছিল আৰু পাঁচটা থ্ৰাষ্টাৰে ঠিকমতে কাম কৰা নাছিল। নাছাই সেই ত্ৰুটিপূৰ্ণ যানখনত মহাকাশচাৰীকেইজন ঘূৰি অহাটো বিপদজনক বুলি গণ্য কৰিলে। তেওঁলোকক ঘূৰাই আনিবলৈ কি ব্যৱস্থা উপযুক্ত হ'ব, নাছা আৰু বয়িঙে সেই কথা আলোচনা কৰিলে। ২৪ আগষ্টত নাছাই ঘোষণা কৰিলে যে সেই ছাটল যানখন যাত্ৰীবিহীনভাৱে পৃথিৱীলৈ ঘূৰাই লৈ অহা হ'ব। সেইমতে যোৱা বছৰৰ ছেপ্টেম্বৰত যানখন পৃথিৱীলৈ ওভতাই লৈ অনা হ'ল আৰু ৭ ছেপ্টেম্বৰত যানখন নিৰাপদে আহি পৃথিৱী পালেহি। কিন্তু উভতি আহিবলৈ আন একো ব্যৱস্থা নথকাত সুনীতা আৰু উইলম'ৰ আন্তৰ্জাতিক মহাকাশ আস্থানত আবদ্ধ হৈ থাকিল।

**তেওঁলোকে তাত খাইছিল কি ?**

নিউয়ৰ্ক পোষ্টে জনোৱামতে আন্তৰ্জাতিক মহাকাশ আস্থানত থাকোঁতে নাছাৰ মহাকাশচাৰী সুনীতা আৰু উইলম'ৰৈই মূল খাদ্য হিচাপে পিজ্জা, ভজা চিকেন, ভজা টুনা মাছ, মিছামাছ আদি খাইছিল। ব্ৰেকফাষ্টত খাইছিল পাউডাৰ গাখীৰৰ সৈতে চেৰীল (কৰ্ণ ফ্লেক্সৰ দৰে শস্যৰ পৰা তৈয়াৰ কৰা খাদ্য)। কিমান কেলৰী শক্তি তেওঁলোকে পালে, সেয়া হিচাপ কৰি নাছাই খাদ্য সলনিও কৰিছিল। সুনীতা আৰু উইলম'ৰে তালৈ সতেজ ফল লৈ গৈছিল। তাৰ পাছত তেওঁলোকে পেকেটত ৰখা বা ফ্ৰিজত থোৱা ফল-মূল আৰু শাক-পাচলি খাইছিল। মাংস আৰু কণীসমূহ পৃথিৱীতে ৰান্ধি লৈ যোৱা হৈছিল। তেনে খাদ্যবোৰ তাত গৰম কৰাৰহে প্ৰয়োজন আছিল। ছুপ, ভাপত ৰন্ধা খাদ্য, পোলাও আদি পৃথিৱীৰ পৰা জলবিহীনভাৱে তালৈ পঠিওৱা হৈছিল আৰু তাত পানী দি খোৱাৰ উপযুক্ত কৰি তোলা হৈছিল। পানীৰ যোগানৰ বাবে আন্তৰ্জাতিক মহাকাশ আস্থানত ৫৩০ গেলন সামৰ্থ্যৰ সতেজ পানীৰ টেংক এটা আছিল। এক গেলন প্ৰায় ৩.৮ লিটাৰৰ সমান। মহাকাশচাৰীৰ প্ৰস্ৰাৱ আৰু ঘামৰ পুনঃচক্ৰীকৰণ কৰি তাৰ পৰা সতেজ পানী প্ৰস্তুত কৰাৰ এক সঁজুলিও তাত আছিল। মহাকাশচাৰীসকলৰ বাবে প্ৰয়োজনতকৈ বহুত বেছি পৰিমাণৰ খাদ্য-সামগ্ৰী

আন্তৰ্জাতিক মহাকাশ আস্থানত আছিল, যাতে কোনো পৰিস্থিতিতে মহাকাশচাৰীসকল খাদ্যৰ অভাৱত ভুগিব নালাগে।

**ঘূৰাই অনাৰ প্ৰচেষ্টা**

সুনীতা উইলিয়ামছ আৰু বুটছ উইলম'ৰক ঘূৰাই অনাৰ বাবে উপযুক্ত মহাকাশ ছাটল যান নথকাত এই ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত ড'নাল্ড ট্ৰাম্পে তেওঁৰ লগত ঘনিষ্ঠ মাৰ্কিন কোটিপতি এলন মাস্কক এই ক্ষেত্ৰত প্ৰয়োজনীয় সহায় কৰিবলৈ অনুৰোধ কৰিছিল। ঘটনাক্ৰমে ট্ৰাম্পে এলন মাস্কক তেওঁৰ এজন পৰামৰ্শদাতা হিচাপেও নিযুক্তি দিছিল। মাস্কৰ 'স্পেচ-এক্স' নামৰ এটা নিজা 'স্পেচ ছাটল যান' প্ৰতিষ্ঠান আছে। তেওঁ নাছাৰ লগত আলোচনা কৰি সেই প্ৰতিষ্ঠানৰ এখন ছাটল যান 'ড্ৰেগন স্পেচক্ৰাফট'ক এই অভিযানত পঠিয়াবলৈ সন্মতি প্ৰকাশ কৰে। সেইমতে মাৰ্চ মাহৰ প্ৰথম ভাগত এই যানখনে আন্তৰ্জাতিক মহাকাশ আস্থানলৈ যাত্ৰা কৰে আৰু অৱশেষত সুনীতা উইলিয়ামছহঁতক লৈ ১৮ মাৰ্চত পৃথিৱী পায়হি। আঠদিন থাকিবলৈ গৈ মুঠতে ২৮৬ দিন থাকি তেওঁলোক যেনিবা নিৰাপদে উভতি আহিল।

**সৰ্বপ্ৰথম ঘটনা**

মাহৰ পাছত মাহ জুৰি হঠাতে আৰু কোনো পূৰ্বপ্ৰস্তুতি নোহোৱাকৈ মহাকাশত কোনো মানুহ থাকিবলগীয়া হোৱাটো এয়ে প্ৰথম। সেয়ে এনে ক্ষেত্ৰত মানুহৰ কি শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন হ'ব পাৰে, তাৰ কোনো অভিজ্ঞতা বা উদাহৰণ বিশ্ববাসীৰ ওচৰত নাই। গতিকে পৃথিৱীলৈ অহাৰ পাছত সুনীতা উইলিয়ামছহঁতৰ অৱস্থা কি হ'ব বা কেনে উপসৰ্গই দেখা দিব পাৰে—এই সম্পৰ্কত কিছু ধাৰণা কৰাৰ বাহিৰে গত্যন্তৰ নাই। মহাকাশত মাধ্যাকৰ্ষণহীন অৱস্থাত থাকি আকৌ পৃথিৱীৰ মাধ্যাকৰ্ষণ বলৰ পৰিবেশলৈ অহাৰ পাছত তেওঁলোকৰ পেশী আৰু হাড়ৰ ক্ষতি হ'ব পাৰে, দেহৰ ভিতৰতো প্ৰয়োজনীয় তৰল পদাৰ্থ কিডনীলৈ নোযোৱাৰ ফলত কিডনীত ষ্ট'ন হ'ব পাৰে, দৃষ্টিশক্তিৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হ'ব পাৰে, খোজ কাঢ়োঁতে বা থিয় হওঁতে দেহৰ সাম্যতাত সমস্যা হ'ব পাৰে ইত্যাদি।

**সুনীতা উইলিয়ামছৰ কাহিনীয়ে আমাক কি শিকালে?**

সুনীতা উইলিয়ামছহঁতৰ এই অভিযান হঠাতে অনিশ্চিত হৈ বহুদিনীয়া হৈ যোৱাৰ ফলত তেওঁলোকৰ কিছুমান জ্ঞান-সম্বন্ধীয় কাম-কাজ, যেনে— সিদ্ধান্ত গ্ৰহণ, প্ৰতিক্ৰিয়া সময়, আবেগিক সাম্যতা আদিৰ ক্ষেত্ৰত অস্বাভাৱিকতাই দেখা দিয়াৰ পূৰ্ণ সম্ভাৱনা আছিল। ইমান দিন প্ৰায় অকলে এক কৃত্ৰিম পৰিবেশত মাধ্যাকৰ্ষণহীন অৱস্থাত থকা, সীমিত সামাজিক সম্পৰ্ক আদিৰ বাবে যিকোনো লোক নিশ্চয় উৎকণ্ঠা, হতাশা, উচ্চ ৰক্তচাপ আদিত ভুগিলহেঁতেন। প্ৰাথমিক তথ্যমতে সুনীতা উইলিয়ামছৰ ক্ষেত্ৰত তেনে জটিল সমস্যা হোৱা নাই। প্ৰকৃত কথাবোৰ অৱশ্যে কিছুদিন পাছতহে জনা যাব।

সুনীতা উইলিয়ামছৰ কাহিনীয়ে আমাক যিকোনো পৰিস্থিতিৰ লগত খাপ খুৱাই লোৱা, নিজকে স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনা, দলীয় সংহতি ৰক্ষা কৰা, চৰম প্ৰত্যাহ্বানৰ সময়তো ঐকান্তিক প্ৰচেষ্টা অব্যাহত ৰখা, লক্ষ্যত উপনীত হ'বৰ বাবে দুৰ্বাৰ হেঁপাহ, দৃঢ় সংকল্প আদি মনত পুহি ৰখাৰ গুৰুত্ব স্পষ্টভাৱে শিকাই দিছে। এইকেইটা গুণ নথকা হ'লে সুনীতা উইলিয়ামছ হয়তো সুস্থ অৱস্থাত পৃথিৱীলৈ প্ৰত্যাবৰ্তন কৰিবই নোৱাৰিলেহেঁতেন। সুনীতা উইলিয়ামছহঁত মাত্ৰ আঠদিনৰ বাবে মহাকাশলৈ গ'লেও তাৰ পাছত নমাহ পৰ্য্যন্ত অনিশ্চয়তাৰ মাজত থাকিবলগীয়া হৈছিল। এয়া সাধাৰণ মনৰ মানুহৰ বাবে সম্ভৱ নহয়। সুনীতা উইলিয়ামছে আশা নকৰা পৰিস্থিতিৰ সাহসেৰে সমুখীন হৈছিল, দেহ আৰু মনৰ দৃঢ়তা অক্ষুণ্ণ ৰাখিছিল, যিকোনো সমস্যা সমাধান কৰাৰ তীব্ৰ ইচ্ছা মনত পোষণ কৰিছিল, দলৰ বাকীসকলক আন্তৰিকতাৰে সহযোগিতা কৰিছিল আৰু মানসিক চাপ-উৎকণ্ঠা-হতাশা আদি দূৰ কৰিবলৈ সুবিধামতে নাছাৰ সতীৰ্থ বা পৰিয়ালৰ লগত কথা পাতিছিল। ইমানদিনে ধৈৰ্য্য ধৰি থকাটোও সহজ কাম নাছিল। এই সকলোৰে সমন্বয়তহে অৱশেষত তেওঁলোক পৃথিৱীলৈ পুনৰ ঘূৰি আহিবলৈ সক্ষম হ'ল। আমি সুনীতা উইলিয়ামছৰ উপন্যাসোপম, কিন্তু সঁচা কাহিনীৰ পৰা এইবোৰ গুণৰ কৰ্ষণৰ প্ৰয়োজনীয়তাৰ শিক্ষা ল'ব পাৰোঁ। ❖

## অসমৰ তিনিগৰাকী সাহিত্যিকলৈ সাহিত্য অকাডেমিৰ অনুবাদ বঁটা

যোৱা ৭ মাৰ্চ তাৰিখে অসমৰ তিনিগৰাকী সাহিত্যিকলৈ সাহিত্য অকাডেমিয়ে ২০২৪ বৰ্ষৰ অনুবাদ বঁটা প্ৰদানৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সাহিত্য অকাডেমিৰ ঘোষণা অনুসৰি এই বৰ্ষত অনুবাদ বঁটা লাভ কৰা সাহিত্যিক, অনুবাদক তিনিগৰাকী হৈছে—বাসুদেব দাস, অঞ্জন শৰ্মা আৰু উত্তৰা বিছমুথিয়াৰী। প্ৰসিদ্ধ সাহিত্যিক হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' শীৰ্ষক বহুপঠিত উপন্যাসখন 'সদাগৰেৰ পুত্ৰ নৌকা বেয়ে যায়' নামেৰে বাংলা ভাষালৈ অনুবাদ কৰাৰ বাবে বাসুদেব দাসলৈ অনুবাদ বঁটা আগ বঢ়োৱা হৈছে। ১৯৫৮ চনত যমুনামুখত জন্ম লাভ কৰা বঁটাপ্ৰাপক দাসে বৰ্তমানলৈ ৩৮ খন গ্ৰন্থ অনুবাদ কৰি উলিয়াইছে। বঁটাপ্ৰাপ্ত গ্ৰন্থখন তেওঁ ২০২০ চনত বাংলালৈ অনুবাদ কৰি উলিয়াইছিল।

কনকলাল বৰুৱাৰ 'আৰ্লি হিষ্টৰী অৱ কামৰূপা' (Early Hisotry of Kamrupa) নামৰ ইংৰাজী গ্ৰন্থখন 'প্ৰাচীন কামৰূপৰ ইতিহাস' নামেৰে অসমীয়া ভাষালৈ কৰা অনুবাদৰ বাবে অঞ্জন শৰ্মাই অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰায় ৫০খন গ্ৰন্থৰ অনুবাদক তথা ৰচক অঞ্জন শৰ্মাৰ ঘৰ পাঠশালাৰ জ্যোতিনগৰত।

তদুপৰি বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ অসমীয়া উপন্যাস 'কাঞ্চন'ৰ একে নামেৰে বড়ো ভাষালৈ কৰা অনুবাদৰ বাবে উত্তৰা বিছমুথিয়াৰীলৈ অনুবাদ বঁটা আগ বঢ়োৱা হৈছে। দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা উত্তৰা বিছমুথিয়াৰী বড়ো লেখিকা সন্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী।

## চেম্পিয়নছ ট্ৰফীত চেম্পিয়ন ভাৰত

যোৱা ৯ মাৰ্চ তাৰিখে ডুবাইত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ ফাইনেল খেলত নিউজিলেণ্ডক হৰুৱাই ভাৰতে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ফাইনেল মেচখনত প্ৰথমে বেটিং কৰি নিউজিলেণ্ডে সাতটা উইকেট হেৰুৱাই ২৫১ ৰাণ সংগ্ৰহ কৰে আৰু ভাৰতে এটা অভাৰ বাকী থকা অৱস্থাত ছটা উইকেট হেৰুৱাই বিজয় সাব্যস্ত কৰে। ভাৰতে ২০০২ বৰ্ষ আৰু ২০১৩ বৰ্ষকে ধৰি




চেম্পিয়নছ ট্ৰফীত তৃতীয়বাৰলৈ চেম্পিয়নৰ খিতাপ দখল কৰে। ১৯ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ পাকিস্তান আৰু ডুবাইত অনুষ্ঠিত এইবাৰৰ নৱম সংস্কৰণৰ খেলত ৮টা দলে মুঠ ১৫খন মেচত অৱতীৰ্ণ হৈছিল। নিউজিলেণ্ডৰ ৰাশ্চিন ৰবিন্দ্ৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। চেম্পিয়ন দল ভাৰতে সুদৃশ্য ট্ৰফীৰ লগতে ১৯.৪৫ কোটি টকাৰ প্ৰাইজমানী লাভ কৰে।

## অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতালৈ অসম বৈভৱ বঁটা



যোৱা ৯ মাৰ্চ তাৰিখে অসম চৰকাৰে ২০২৪ বৰ্ষৰ অসমৰ শ্ৰেষ্ঠ অসামৰিক বঁটা প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সমাজৰ প্ৰতি আগ বঢ়োৱা প্ৰশংসনীয় সেৱাৰ স্বীকৃতিস্বৰূপে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকললৈ অসম চৰকাৰে প্ৰতি বছৰে 'অসম বৈভৱ', 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ' বঁটা আগ বঢ়াই আহিছে। এই বৰ্ষত ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম বৈভৱ' বঁটা সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতালৈ আগ বঢ়োৱা হয়। 'অসম সৌৰভ' বঁটা আগ বঢ়োৱা হৈছে ক্ৰমে টিচিএছৰ প্ৰাক্তন অধ্যক্ষ ড° এছ ৰামাডোৰাই, বিশিষ্ট শিক্ষাবিদ ড° বাপ্পী পাল, বিশিষ্ট বিজ্ঞানী ড° পূৰৱী শইকীয়া, বিশিষ্ট সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত আৰু উদীয়মান মহিলা ক্ৰিকেট খেলুৱৈ উমা ছেত্ৰীলৈ। এই বৰ্ষত মুঠ তেৰগৰাকী ব্যক্তিৰ উপৰি তিনিটা প্ৰতিষ্ঠানক প্ৰথমবাৰৰ বাবে অসম গৌৰৱ বঁটা আগ বঢ়োৱা

হয়। বঁটাপ্ৰাপক এই অনুষ্ঠান তিনিটা হ'ল ক্ৰমে কাজিৰঙাত থলুৱা খাদ্য পৰিৱেশন কৰা চ'ৰান এহেম, তিনিচুকীয়াৰ বাৰেকুৰি ইক' ডেভেলপমেণ্ট ছ'চাইটি আৰু নগাঁও জিলাৰ হাতীবন্ধু এনজিঅ'। উল্লেখযোগ্য যে অসম বৈভৱ বঁটাত নগদ ৫ লাখ টকাৰ লগতে বঁটাপ্ৰাপকসকলৰ চিকিৎসাৰ সমস্ত দায়িত্ব ৰাজ্য চৰকাৰে বহন কৰে। অসম সৌৰভ বঁটা আৰু অসম গৌৰৱ বঁটাত অন্যান্য সুবিধাৰ লগতে আছে ক্ৰমে নগদ ৪ লাখ আৰু ৩ লাখ টকা।

## জনপ্ৰিয় কণ্ঠশিল্পী, শিক্ষাবিদ, গীতিকাৰ ড° লক্ষহীৰা দাসৰ জীৱনাৱসান



যোৱা ১৫ মাৰ্চ তাৰিখে ৰাজ্যখনৰ জনপ্ৰিয় কণ্ঠশিল্পী, গীতিকাৰ, সাহিত্যিক, শিক্ষাবিদ ড° লক্ষহীৰা দাসৰ ৯৪ বছৰ বয়সত গুৱাহাটীত জীৱনাৱসান ঘটে। ১৯৩১ চনৰ ১৩ ফেব্ৰুৱাৰীত শুৱালকুছিত জন্মগ্ৰহণ কৰা লক্ষহীৰা দাসে সৰুৰে পৰা সংগীত চৰ্চা কৰিছিল আৰু ১৯৪৮ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সুৰকাৰ আৰু গীতিকাৰ হিচাপে স্বীকৃতি লাভ কৰিছিল। আকাশবাণীৰ পৰা এনে স্বীকৃতি পোৱা তেওঁ হৈছে প্ৰথমগৰাকী মহিলা শিল্পী। নিজৰ কণ্ঠৰে সমগ্ৰ অসমৰ শ্ৰোতাৰ হৃদয় জয় কৰা তেওঁৰ দুটামান অতি জনপ্ৰিয় গীত হৈছে—ডালিম ঐ ডালিম, আমালৈ আনিছা কি...; ঢোল বায় ক'ত—ৰতনপুৰত, খোল বায় ক'ত—ৰতনপুৰত... আদি। ৰেডিঅ', টেলিভিছন, কেছেট, চিডি, গ্ৰামোফ'ন ৰেকৰ্ড আৰু চিনেমাত অসংখ্য গীত গাই শ্ৰোতা-দৰ্শকৰ অন্তৰ স্পৰ্শ কৰা শিল্পীগৰাকীয়ে দহখন কবিতাপুথিও ৰচনা কৰিছিল।

১৯৫৯ চনত কটন মহাবিদ্যালয়ৰ শিক্ষা বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰা শিল্পীগৰাকীয়ে ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ৰীডাৰ হিচাপে যোগদান কৰি ১৯৯৩ চনত বিভাগটোৰ মুৰব্বী পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসমীয়া আৰু ইংৰাজী ভাষাত কেইবাখনো গ্ৰন্থ ৰচনা কৰা ড° লক্ষহীৰা দাসে দেশ-বিদেশৰ বিভিন্ন গৱেষণা প্ৰতিষ্ঠানৰো গুৰুদায়িত্ব বহন কৰিছিল। ৫০খনৰো অধিক গ্ৰন্থ ৰচনা কৰা শিক্ষাবিদ ড° লক্ষীহাৰা দাসৰ আত্মজীৱনীখনৰ নাম হৈছে 'প্ৰিয়তম জীৱনৰ কথা মালিতা'।

সাহিত্য আৰু সংগীত জগতলৈ আগ বঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁ অসংখ্য বঁটা তথা সন্মান লাভ কৰিবলৈ সক্ষম হয়। তাৰ ভিতৰত অসম সাহিত্য সভাৰ 'বাসন্তী বৰদলৈ বঁটা', ওড়িশাৰ শ্ৰেষ্ঠ গীতিকাৰ সন্মান, লাচিত বৰফুকন চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ কণ্ঠশিল্পী বঁটা (১৯৬৮ চন), অসম চৰকাৰৰ শিল্পী বঁটা (২০০৩), সংগীতাচাৰ্য্য উপাধি আদি অন্যতম। উল্লেখযোগ্য যে পৰিবেশ্য কলাৰ জগতলৈ আগ বঢ়োৱা সামগ্ৰিক অৱদানৰ কাৰণে তেওঁক ২০২২ চনত সংগীত নাটক অকাডেমি বঁটা আগ বঢ়োৱা হয়। তদুপৰি, ২০২২ চনত অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে তেওঁলৈ 'অসম জাতীয় বিদ্যালয় সন্মান' আগ বঢ়ায়।

## প্ৰখ্যাত হিন্দী কবি, ঔপন্যাসিক বিনোদ কুমাৰ শুক্লালৈ জ্ঞানপীঠ বঁটা



যোৱা ২২ মাৰ্চ তাৰিখে কেন্দ্ৰীয় চৰকাৰে প্ৰখ্যাত হিন্দী কবি, ঔপন্যাসিক বিনোদ কুমাৰ শুক্লাক ২০২৫ বৰ্ষৰ জ্ঞানপীঠ বঁটাৰ বাবে নিৰ্বাচিত কৰা বুলি ঘোষণা কৰে। দেশৰ সৰ্বোচ্চ সাহিত্য বঁটা হিচাপে পৰিচিত জ্ঞানপীঠ বঁটা বিজয়ী বিনোদ কুমাৰ শুক্লা হিন্দী সাহিত্যৰ এগৰাকী অতি প্ৰভাৱশালী কবি তথা ঔপন্যাসিক। চিন্তা উদ্ৰেককাৰী গদ্য ৰচনাৰে সাহিত্য জগতখনলৈ বিগত ৫০ বছৰত আগ বঢ়োৱা অনৱদ্য অৱদানৰ বাবে বিশিষ্ট সাহিত্যিকগৰাকীলৈ এই বঁটা আগ বঢ়োৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে। ১৯৩৭ চনত ছত্তীশগড়ৰ ৰায়পুৰত জন্মগ্ৰহণ কৰা সাহিত্যিকগৰাকীৰ ১৯৭১ চনত প্ৰথমখন কবিতা সংকলন 'লগভাগ জয়হিন্দ' প্ৰকাশ পাইছিল। তেওঁৰ দ্বাৰা ৰচিত কেইখনমান অতি উল্লেখযোগ্য গ্ৰন্থ হৈছে 'নৌকৰ কী কামিজ', 'খিলেগা

তো দেখেংগে', 'দীৱাৰ মে এক খিড়কী ৰেহতি থি', 'পেড় পৰ কামৰা', 'মহাবিদ্যালয়া', 'অতিৰিক্ত নেহী' আদি। আন্তঃৰাষ্ট্রীয় নবোকভ বঁটা বিজয়ী সাহিত্যিক শুক্লাই ১৯৯৯ চনত 'দীৱাৰ মে এক খিড়কী ৰেহতি থি' উপন্যাসখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। সাহিত্যিক শুক্লা হৈছে দেশৰ ৫৯ সংখ্যক তথা হিন্দী ভাষাত এই সৰ্বোচ্চ বঁটা লাভ কৰা দ্বাদশগৰাকী সাহিত্যিক। ১৯৬৫ চনত প্ৰথমবাৰলৈ আগ বঢ়োৱা দেশৰ সাহিত্য ক্ষেত্ৰখনৰ এই সৰ্বোচ্চ বঁটাত আছে মানপত্ৰ, স্মাৰক আৰু ১১ লাখ টকা।

## বিধানসভাত ২০২৫-২৬ বৰ্ষৰ ১,৫৫,৪২৮.৭৫ কোটি টকাৰ ৰাজ্যিক বাজেট দাখিল

যোৱা ১০ মাৰ্চ তাৰিখে বিত্তমন্ত্রী অজন্তা নেওগে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ১,৫৫,৪২৮.৭৫ কোটি টকাৰ ৰাজ্যিক বাজেট অসম বিধানসভাত দাখিল কৰে। ৬২০.২৭ কোটি টকাৰ ঘাটি সম্বলিত এই বৰ্ষৰ বাজেটত কেইবাখনো জনকল্যাণমূলক নতুন আঁচনি ঘোষণা কৰা হৈছে। বিদায়ী বিত্তীয় বৰ্ষটোৰ তুলনাত আগন্তুক বাজেটত অতিৰিক্ত ১১,৮২৩ কোটি টকাৰ পুঁজি যোগ কৰা হৈছে। বৰ্তমান চৰকাৰখনৰ অন্তিমখন পূৰ্ণাংগ বাজেটত কোনো ধৰণৰ অতিৰিক্ত কৰৰ বোজা জাপি দিয়া হোৱা নাই। এই বৰ্ষৰ বাজেট প্ৰাককলনত ৰাজহ ব্যয় ১,১৭,২২৫.৯৬ কোটি টকা আৰু মূলধনী ব্যয় ৩৮,৭৫৯.১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। মুঠ বাজেটৰ মাত্ৰ ২৯.০৮ শতাংশ ধন নিজা ৰাজহ হোৱাৰ বিপৰীতে ৭০,৯২ শতাংশ পুঁজি কেন্দ্ৰীয় চৰকাৰৰ পুঁজি আৰু ৰাজহুৱা ঋণৰ পৰা সংগ্ৰহ হ'ব।

বাজেটখনৰ কেইটামান উল্লেখযোগ্য প্ৰস্তাৱ হৈছে—

১। মিছন বসুন্ধৰাৰ অধীনত অহা তিনি বছৰত পাঁচ লাখ ডিজিটেল পট্টা প্ৰদান। ২। ৰাজ্যিক শিক্ষা ব'ৰ্ড আৰু চিবিএছইৰ অধীনত ব্ৰহ্মপুত্ৰ উপত্যকাত থকা সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা আৰু বিটিআৰত অসমীয়া বা বড়ো ভাষা বাধ্যতামূলক কৰা। ৩। গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত প্ৰ'টন থেৰাপি কেন্দ্ৰ স্থাপন। ৪। লাহোৱালত থকা পলিটেকনিকখনক এখন পূৰ্ণাংগ অভিযান্ত্রিক মহাবিদ্যালয়লৈ উন্নীতকৰণ। ৫। লোকনিৰ্মাণ বিভাগৰ পৰা লোকনিৰ্মাণ (স্বাস্থ্য আৰু শিক্ষা) নামেৰে এটা নতুন বিভাগৰ সৃষ্টি। ৬। গাঁও প্ৰধানৰ দৰমহা মাহিলি ৯ হাজাৰৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি। ৭। মুম্বাই আৰু দিল্লীত নতুন অসম ভৱন নিৰ্মাণ। ৮। এছিয়ান ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সাহায্যেৰে জাগীৰোড আৰু পলাশবাৰীত বৃহৎ টাউনশ্বিপ নিৰ্মাণ। ৯। বন্যপ্ৰাণীৰ আক্ৰমণত মৃত্যু হোৱা লোকক ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদান। ১০। ২০০৬ চনৰ পূৰ্বে স্থাপিত হোৱা বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ প্ৰস্তাৱ। ১১। সকলো বিদ্যালয়তে চলিত বৰ্ষত অষ্টম শ্ৰেণীলৈ অসমৰ ইতিহাস বিষয়টো বাধ্যতামূলক কৰা। ১২। দৰং, হোজাই আৰু হাইলাকান্দিত ৩খন নতুন মেডিকেল কলেজ স্থাপন কৰা ইত্যাদি।

## আইপিএল, ২০২৫ আৰম্ভ




যোৱা ২২ মাৰ্চ তাৰিখে ২০২৫ বৰ্ষৰ ১৮ সংখ্যক টাটা আইপিএল ক্ৰিকেট প্ৰতিযোগিতাৰ কলিকতাত শুভাৰম্ভ কৰা হয়। এই বৰ্ষৰ আইপিএল প্ৰতিযোগিতাত মুঠ ১০টা দলে অংশগ্ৰহণ কৰিছে আৰু সৰ্বমুঠ ৭৪খন মেচ অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে পৰিচালনা কৰা এই খেল গুৱাহাটীকে ধৰি দেশৰ মুঠ ১৩খন চহৰত অনুষ্ঠিত হ'ব। ২৫ মে'লৈ চলিবলগীয়া তথা টী-২০ ফৰ্মেটত হোৱা এই বৃহৎ প্ৰতিযোগিতাখন ২০০৮ চনত প্ৰথম আৰম্ভ কৰা হৈছিল। এই বৰ্ষৰ চেম্পিয়ন দলটোৱে ট্ৰফীৰ লগতে ২০ কোটি টকাৰ পুৰস্কাৰ লাভ কৰিব। এই প্ৰতিযোগিতাৰ বাবে দেশী-বিদেশী খেলুৱৈসকলৰ নিলাম যোৱা নৱেম্বৰ মাহত অনুষ্ঠিত হৈছিল। নিলামত ভাৰতৰ ক্ৰিকেটাৰ ঋষভ পণ্ট সৰ্বাধিক ২৭ কোটি টকাত চুক্তিবদ্ধ হৈছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ ফেব্ৰুৱাৰী, ২০২৫ ৰ পৰা ২০ মাৰ্চ, ২০২৫লৈ)**

২২ **ফেব্ৰুৱাৰী :** ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গৱৰ্নৰৰ শক্তিকান্ত দাসক প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে নিযুক্তি দিয়া হয়।

২৩ **ফেব্ৰুৱাৰী :** ভাৰতীয় মূলৰ কেশ পেটেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চোৰাংচোৱা সংস্থা এফবিআইৰ সঞ্চালক হিচাপে নিযুক্তি লাভ কৰে।

২৫ **ফেব্ৰুৱাৰী :** ২০২৬ শিক্ষাবৰ্ষৰ পৰা দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা বছৰত দুবাৰকৈ অনুষ্ঠিত কৰিব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডে ঘোষণা কৰে।

২৭ **ফেব্ৰুৱাৰী :** জনপ্ৰিয় অভিনেতা তথা চলচ্চিত্ৰ নিৰ্মাতা মেহতাব হুছেইনৰ ৭৫ বছৰ বয়সত দেহাৰসান ঘটে।

২৮ **ফেব্ৰুৱাৰী :** বিত্ত সচিব তুহিন কান্ত পাণ্ডেক ছেবিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।

১ **মাৰ্চ :** ফ্ৰান্সত অনুষ্ঠিত অলষ্টাৰ প'লভল্টত ছুইডেনৰ আৰমণ্ড ডুপ্লান্টিছে ৬.০৭ মিটাৰ উচ্চতা জঁপিয়াই বিশ্ব ৰেকৰ্ড গঢ়ে।

২ **মাৰ্চ :** ৰায়পুৰৰ ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত মহাপুৰুষ শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰিবলৈ ছত্তীশগড় চৰকাৰে বাজেটত দুই কোটি টকা ধাৰ্য্য কৰে।

৩ **মাৰ্চ :** সংগীত নাটক অকাডেমি বঁটা তথা বিষ্ণুপ্ৰসাদ ৰাভা বঁটাপ্ৰাপক দৰঙী ব্যাস সংগীতৰ বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ ওজাৰ ৯০ বছৰ বয়সত দেহাৰসান ঘটে।

৪ **মাৰ্চ :** অজিত ৰত্নাকৰ যোশীক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন কাৰ্য্যবাহী সঞ্চালক হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে।

৫ **মাৰ্চ :** ২০৫০ চনত ভাৰত বিশ্বৰ সৰ্বাধিক মুছলমান লোকৰ দেশ হ'ব বুলি আমেৰিকাৰ পিউ ৰিছাৰ্চ চেণ্টাৰে প্ৰকাশ কৰে।

৬ **মাৰ্চ :** চুবুৰীয়া ৰাজ্যৰ দখলত অসমৰ ৮২,৭৫১ হেক্টৰ ভূমি আছে বুলি অসম চৰকাৰে বিধানসভাত ঘোষণা কৰে।

- ভাৰত আৰু চীনৰ সামগ্ৰীত উচ্চ হাৰৰ শুল্ক আৰোপ কৰিব বুলি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আমেৰিকাৰ সংসদত ঘোষণা কৰে।

৮ **মাৰ্চ :** দেশৰ ভিতৰতে ন্যায় বঞ্চিত নাৰীৰ শীৰ্ষত অসম বুলি নেছনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰই প্ৰকাশ কৰে।

- হাড়গিলা সংৰক্ষণৰ ক্ষেত্ৰত আগ বঢ়োৱা অনৱদ্য অৱদানৰ বাবে পূৰ্ণিমা দেৱী বৰ্মনে 'হাৰ্ভাৰ্ড-১০০'ৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে। (বিশ্বৰ ২৫ গৰাকী মহিলাৰ ভিতৰত।)

৯ **মাৰ্চ :** অনুৰাগ শইকীয়াই 'ইস্ক হেই' শীৰ্ষক গীতৰ বাবে ২০২৫ বৰ্ষৰ আইফা ডিজিটেলৰ শ্ৰেষ্ঠ শীৰ্ষ গীতৰ বঁটা লাভ কৰে।

১০ **মাৰ্চ :** অসমৰ ৰাজ্য চৰকাৰৰ সৰ্বমুঠ ঋণৰ পৰিমাণ ১,৭২,১৭৪.৭৪ কোটি টকা বুলি বিধানসভাত প্ৰকাশ কৰা হয়।

১৩ **মাৰ্চ :** ৭০ সংখ্যক ভাৰতৰত্ন বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত উত্তৰ-পূৱ সীমান্ত ৰেলৱেই চেম্পিয়নৰ খিতাপ দখল কৰে।

১৫ **মাৰ্চ :** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেৰগাঁৱৰ অত্যাধুনিক লাচিত বৰফুকন পুলিচ অকাডেমিৰ শুভ উদ্বোধন কৰে।

১৬ **মাৰ্চ :** হৰমনপ্ৰীত সিং হকী ইণ্ডিয়াৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত হয়।

১৮ **মাৰ্চ :** বিশিষ্ট লেখক, সাহিত্যিক, প্ৰাক্তন অধ্যাপক ভবানী প্ৰসাদ অধিকাৰীৰ ৮২ বছৰ বয়সত মৃত্যু হয়।


- ২৮৬ দিন মহাকাশত অতিবাহিত কৰাৰ পাছত মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুটছ উইলম'ৰ স্পেচ-এক্স যানৰ সহায়ত পৃথিৱীলৈ সফলতাৰে প্ৰত্যাৱৰ্তন কৰে।

২০ **মাৰ্চ :** ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিক খেলত বক্সিং অন্তৰ্ভুক্ত হ'ব বুলি আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিয়ে ঘোষণ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# নিয়ৰ আৰু কুঁৱলী

■ দিগন্ত তালুকদাৰ



নিয়ৰ আৰু কুঁৱলী হৈছে বায়ুমণ্ডল ঠাণ্ডা হৈ জলীয় বাষ্প ঘনীভূত হোৱাৰ ফলত হোৱা বতৰৰ দুটা সাধাৰণ পৰিঘটনা। যদিও দুয়োটা পৰিঘটনাই বায়ুৰ আৰ্দ্ৰতাৰ লগত জড়িত তথাপি ইয়াৰ গঠন আৰু বৈশিষ্ট্যৰ পাৰ্থক্য আছে।

ৰাতিপুৱা বা সন্ধিয়া ভগাৰ পাছত ঘাঁহ, পাত, গাড়ীৰ বাহিৰভাগ, খিৰিকীৰ দৰে পৃষ্ঠত গঠন হোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ টোপালবোৰেই হ'ল নিয়ৰ। যেতিয়া এই পৃষ্ঠবোৰৰ উষ্ণতা এক নিৰ্দিষ্ট মাত্ৰাৰ তললৈ নামে, তাৰ ফলস্বৰূপে বায়ুত থকা জলীয় বাষ্প তৰললৈ পৰিণত হয় আৰু টোপাল আকাৰে এই পৃষ্ঠবোৰত জমা হৈ পৰে। বায়ুত থকা জলীয় বাষ্প (গেছ) ঠাণ্ডা হৈ তৰললৈ (পানীলৈ) পৰিণত হয়। এই প্ৰক্ৰিয়াক ঘনীভৱন বোলে। জাৰকালি ৰাতি মাটি আৰু ইয়াৰ ওপৰত থকা বস্তুবোৰৰ তাপ কমি যায় আৰু চেঁচা হৈ পৰে। যেতিয়া পৃষ্ঠৰ উষ্ণতা এটা নিৰ্দিষ্ট মাত্ৰালৈ নামি যায়, যাক শিশিৰ বিন্দু বুলি কোৱা হয়, তেতিয়া ইয়াৰ চাৰিওফালে থকা বায়ুৱে জলীয় বাষ্প আৰু ধৰি ৰাখিব নোৱৰা হয়। তাৰ ফলতে বস্তুবোৰৰ আশে-পাশে বায়ুত থকা জলীয় বাষ্প ঘনীভূত হৈ পানীলৈ ৰূপান্তৰিত হয়। এই পৰিঘটনাটো এটা সহজ উদাহৰণৰ পৰাও বুজিব পাৰি। ৰেফ্ৰিজাৰেটৰৰ পৰা ঠাণ্ডা পানীৰ বটল এটা উলিয়াই আনি অলপ সময় বাহিৰত থ'লে, বটলৰ বাহিৰ পৃষ্ঠখনত পানীৰ টোপাল লাগি থকা দেখা যায়। এইবোৰো নিয়ৰৰ দৰে বায়ুত থকা জলীয় বাষ্প ঘনীভূত হৈ সৃষ্টি হোৱা। অৱশ্যে, পৃষ্ঠভাগ যথেষ্ট ঠাণ্ডা হ'লেই নিয়ৰ গঠন নহয়। আকাশ পৰিষ্কাৰ হ'লে আৰু বেছি বতাহ নাথাকিলে নিয়ৰ বেছিকৈ গঠন হয়। তদুপৰি বায়ুৰ আৰ্দ্ৰতা বেছি হ'ব লাগিব। সেয়েহে, মৰুভূমিৰ বালি ৰাতি যথেষ্ট ঠাণ্ডা হৈ পৰে যদিও বায়ু শুকান হোৱা বাবে নিয়ৰ গঠিত নহয়।

কুঁৱলী হৈছে ভূপৃষ্ঠৰ অলপ ওপৰত গঠন হোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ টোপালৰ ডাঠ ডাৱৰ। দেখাত ই ওলমি থকা ডাৱৰৰ দৰে আৰু প্ৰায়ে জাৰকালি ৰাতিপুৱা বা সন্ধিয়া কুঁৱলী দেখা পোৱা যায়। আমি জানো যে, উষ্ণ, আৰ্দ্ৰ বায়ু ওপৰলৈ উঠে আৰু ওপৰত উষ্ণতা কম বাবে ঘনীভূত হৈ পানীৰ টোপালত পৰিণত হয়। এই পানীৰ টোপালবোৰ বায়ুমণ্ডলত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ কণিকা বা ধূলি-মাকতিত লাগি ধৰে। তলৰ পৰা দেখিলে এইবোৰেই ডাৱৰ। কিন্তু জাৰকালি বা বতৰ কেতিয়াবা ঠাণ্ডা হ'লে ভূপৃষ্ঠৰ তেনেই ওচৰতে বায়ু চেঁচা হৈ পৰে, ফলত জলীয় বাষ্প ঘনীভূত হৈ বায়ুত ওপঙি থকা সৰু সৰু টোপাললৈ পৰিণত হয়। তাকে আমি কুঁৱলী বুলি কওঁ। কুঁৱলী ভূপৃষ্ঠত গঠন হোৱা নিয়ৰৰ দৰে নহয়, কুঁৱলী বায়ুত ওপঙি থাকে, যাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। পাহাৰীয়া ঠাইবোৰত পাহাৰ শিখৰে আবৰি থকা অঞ্চলত নিম্ন ডাৱৰ হিচাপে কুঁৱলীয়ে দেখা দিয়ে। সাধাৰণ দিনতো বিশেষকৈ পানী বায়ুতকৈ উষ্ণ হ'লে হ্ৰদ আৰু নদীয়ে কুঁৱলীৰ সৃষ্টি কৰিব পাৰে। কুঁৱলীৰ প্ৰকাৰ ভিন্ন ভিন্ন হয়। দিনৰ ভাগত পৃথিৱীয়ে সূৰ্য্যৰ পৰা তাপ শোষণ কৰে। ৰাতি পৃথিৱীয়ে সেই তাপ পুনৰ বিকিৰণ কৰে। ৰাতিৰ ভাগত মাটিয়ে সোনকালে তাপ বিকিৰিত কৰি ঠাণ্ডা হৈ পৰে, যাৰ ফলত ইয়াৰ ওপৰৰ বায়ু ঠাণ্ডা হৈ পৰে আৰু কুঁৱলীৰ সৃষ্টি হয়। এনেদৰে গঠন হোৱা

## বিজ্ঞান বাৰ্তা

কুঁৱলীক বিকিৰিত কুঁৱলী (radiation fog) বোলে। সাধাৰণতে সূৰ্য্য উদয়ৰ পাছত বিকিৰিত কুঁৱলী সোনকালে নাইকিয়া হয় যদিও শীতকালত ই গোটেই দিনটো থাকিব পাৰে। আৰ্দ্ৰ গ্ৰীষ্মমণ্ডলীয় বতাহ শীতলপৃষ্ঠৰ, যেনে সাগৰৰ ওপৰেৰে গতি কৰিলে অভিবহন কুঁৱলী (advection fog) গঠন হয়। আমেৰিকাৰ পশ্চিম উপকূলৰ ই সাধাৰণ পৰিঘটনা। কেতিয়াবা অতি উষ্ণ পৃষ্ঠৰ পৰা পানী বাষ্পীভূত হৈ গৰম চাহৰ কাপৰ পৰা ওলোৱা ভাপৰ দৰে ঠাণ্ডা বতাহৰ লগ হ'লেও কুঁৱলী গঠিত হয়। ইয়াক বাষ্পীভৱন কুঁৱলী বোলে। ঠাণ্ডা বতাহ উষ্ণ পানী বা আৰ্দ্ৰ ভূমিৰ ওপৰেৰে গতি কৰিলে বায়ুত জলীয় বাষ্প যথেষ্ট পৰিমাণে যোগ হয়; ই শীতল বায়ুৰ লগত মিহলি হৈ ঘনীভূত হয় আৰু কুঁৱলীৰ সৃষ্টি কৰে। সাধাৰণতে মেৰু অঞ্চলত শৰৎ কালৰ পৰা শীতকাললৈ বতৰৰ পৰিবৰ্তনৰ সময়ত এনেদৰে কুঁৱলীৰ সৃষ্টি হয়।

শুকান অঞ্চলত নিয়ৰে উদ্ভিদৰ বাবে পানী যোগান ধৰে, ইয়ে গছবোৰক বৰষুণ নোহোৱাকৈ জীয়াই থকাত সহায় কৰে। তদুপৰি ঠাণ্ডা বতৰত নিয়ৰ জমা হৈ বৰফলৈ পৰিণত হ'ব পাৰে, যাৰ ফলত শস্য আৰু গছ-গছনিৰ ক্ষতি হ'ব পাৰে।

প্ৰতিটো পৰিঘটনাৰে উপকাৰিতা বা অপকাৰিতা থাকে। কুঁৱলী আৰু নিয়ৰৰো উপকাৰিতাৰ লগতে অপকাৰিতাও আছে। তথাপি আমাৰ বাবে কুঁৱলী আৰু নিয়ৰ এক নান্দনিক অভিজ্ঞতা। ইয়াৰ অবিহনে যেন শীতকালৰ সৌন্দৰ্য্য অসম্পূৰ্ণ। ❖

## নিবন্ধ

# অস্কাৰ বঁটাৰ বাছনি প্ৰক্ৰিয়া আৰু ৯৭ সংখ্যক অস্কাৰ বঁটা

■ অভিজিত চক্ৰৱৰ্তী




১৯২৯ চনৰ ১৬ মে' তাৰিখৰ পৰা আৰম্ভ হোৱা অকাডেমি বঁটাৰ (যি পাছলৈ অস্কাৰ বঁটা নামেৰে জনাজাত হয়) বিষয়ে আমি সকলোৱে কম-বেছি পৰিমাণে জানো। এক কথাত ক'বলৈ গ'লে সমগ্ৰ বিশ্বত চলচ্চিত্ৰ এখনৰ সৰ্বোচ্চ স্বীকৃতি হ'ল অস্কাৰ বঁটা। অকাডেমি অৱ মোচন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সে (AMPAS) এই বঁটা প্ৰদান কৰি আহিছে। অস্কাৰৰ বিষয়ে আলোচনা কৰি থকাৰ সময়ত আমাৰ প্ৰায়ভাগৰে মনলৈ অহা এটা প্ৰশ্ন হৈছে যে অস্কাৰ বঁটাৰ বাছনি প্ৰক্ৰিয়াটোনো কেনে ধৰণৰ? বা এই অস্কাৰ বঁটাৰ বাছনি প্ৰক্ৰিয়াত কোন কোন থাকে?

অকাডেমি বঁটাৰ মনোনীত আৰু বিজয়ীসকলৰ নিৰ্বাচন অকাডেমিৰ সদস্যসকলে একাধিক ৰাউণ্ডত ভোটদানৰ জৰিয়তে সম্পাদন কৰে। প্ৰতিটো শিতানৰ বাবে নিৰ্দিষ্ট পদ্ধতিৰে গোপন অনলাইন বেলট পদ্ধতিৰে বাছনি কাৰ্য্য সম্পাদন কৰা হয়। চলচ্চিত্ৰ উদ্যোগৰ বিভিন্ন শাখাৰ অভিনেতা, পৰিচালক, লেখক, প্ৰযোজক, সম্পাদক আদিৰে দহ হাজাৰৰো অধিক পেছাদাৰী ব্যক্তিক লৈ গঠন হোৱা সমিতি এখনে এই ভোটদান তথা বাছনি প্ৰক্ৰিয়া সম্পাদন কৰে। এই সদস্যসকলে নিজৰ নিজৰ শাখাত মনোনীত তথা বিজয়ী নিৰ্ধাৰণ কৰিবলৈ ভোট দিয়ে।

**মনোনয়ন প্ৰক্ৰিয়া :** মনোনয়নৰ বাবে সদস্যসকলে গোপন অনলাইন বেলটৰ জৰিয়তে ভোটদান কৰে। উল্লেখযোগ্য যে বেছিভাগ শ্ৰেণীতে সংশ্লিষ্ট শাখাৰ সদস্যসকলে ভোটদান কৰে যদিও কিছুমান বিশেষ শ্ৰেণীৰ ক্ষেত্ৰতহে সকলো শাখাৰ সদস্যই ভোট প্ৰদান কৰিব পাৰে।



*এড্ৰিয়েন ব্ৰডী*



*মিকি মেডিছন*



*জ' ছেলডানা*



*কিয়েৰান কালকিন*

শ্ৰেষ্ঠ ছবিৰ মনোনয়ন নিৰ্ধাৰণ কৰে অকাডেমিৰ ১৯টা শাখাৰ সকলো সদস্যই। আন্তঃৰাষ্ট্ৰীয় বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ বঁটাৰ বাবে দুটা ৰাউণ্ডত ভোটদান প্ৰক্ৰিয়া হয়, য'ত অকাডেমিৰ সকলো সদস্যই প্ৰথম ৰাউণ্ডত অংশগ্ৰহণ কৰি ১৫খন ছবি তালিকাভুক্ত কৰে আৰু তাৰ পাছত পুনৰ ভোটদান কৰি পাঁচখন ছবি মনোনীত কৰে। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ বঁটাৰ বাবে সদস্যসকলে দ্বিতীয় ৰাউণ্ডলৈ যোৱা আটাইকেইখন ছবিয়েই পুংখানুপুংখভাৱে চাব লাগে।

**ভোটদান প্ৰক্ৰিয়া :** সমিতিৰ সদস্যসকলে সকলো শাখাৰ বাবে প্ৰথমে কেইখনমান চলচ্চিত্ৰ তালিকাভুক্ত কৰি তাৰ মাজৰ পৰা সীমিতসংখ্যকক মনোনীত কৰে। আৰু এই মনোনীত চলচ্চিত্ৰসমূহৰ সপক্ষে ভোটদান কৰে। এই ভোটদান প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত প্ৰাইচৱাটাৰহাউছকুপাৰ (pricewaterhousecooper) নামৰ এক সংস্থাই ভোট গণনা কৰে আৰু অস্কাৰ অনুষ্ঠানৰ দিনা মঞ্চত ঘোষণা কৰে। অকাডেমিৰ ৱেবছাইট অনুসৰি প্ৰাইচৱাটাৰহাউছকুপাৰৰ দুজন সদস্যইহে ফলাফল আগতীয়াকৈ জানে আৰু তেওঁলোকেই বঁটা প্ৰদান অনুষ্ঠানৰ দিনা বিজয়ীৰ নাম সদৰি কৰে।

অকাডেমি অৱ মোচন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সে দশক দশক ধৰি বিভিন্ন দিশৰ উৎকৰ্ষ বঁটাৰ বাবে মূল্যায়ন প্ৰক্ৰিয়াসমূহ সংশোধন কৰি আহিছে আৰু বঁটা প্ৰদানৰ নিয়মৰ সমান্তৰালকৈ সেইবোৰৰ পৰ্য্যালোচনাও কৰি আহিছে।

২০২৫ বৰ্ষৰ ৯৭ সংখ্যক অকাডেমি অৰ্থাৎ অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান মাৰ্চ মাহৰ ২ তাৰিখে কেলিফ'ৰ্নিয়াৰ ডলবি থিয়েটাৰত (Dolby Theatre) অনুষ্ঠিত হয়।

এই বৰ্ষত ছ' বেকাৰ পৰিচালিত ছবি 'এনোৰা'ই শ্ৰেষ্ঠ ছবিৰ লগতে শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ মূল চিত্ৰনাট্য, শ্ৰেষ্ঠ সম্পাদনা আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ শিতানত মুঠ পাঁচটা অস্কাৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। 'দা ব্ৰুটেলিষ্ট' ছবিখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ অস্কাৰ বঁটা লাভ কৰে এড্ৰিয়েন ব্ৰডীয়ে। 'এনোৰা' ছবিখনত কৰা অসাধাৰণ অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা মিকি মেডিছনে লাভ কৰিবলৈ সক্ষম হয়। 'এমিলিয়া পেৰেজ' ছবিখনত কৰা বলিষ্ঠ অভিনয়ৰ বাবে শ্ৰেষ্ঠ সহঃ অভিনেত্ৰীৰ সন্মান লাভ কৰে জ' ছেলডানাই তাৰ বিপৰীতে 'এ ৰিয়েল পেইন' ছবিখনত কৰা সাৱলীল অভিনয়ৰ বাবে কিয়েৰান কালকিনে শ্ৰেষ্ঠ সহঃ অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, মাৰ্চ, ২০২৫

১। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকা
২। বাল্মীকি
৩। শ্বেন ৱাৰ্ণ
৪। তথ্য আৰু সম্প্ৰচাৰ
৫। অৰ্থনীতিৰ ন'বেল বঁটা ❖

# ভৰত নাট্যম



ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্যসমূহৰ ভিতৰত অন্যতম এবিধ শাস্ত্ৰীয় নৃত্য হৈছে ভৰত নাট্যম। ই হৈছে দক্ষিণ ভাৰতৰ এক প্ৰধান শাস্ত্ৰীয় নৃত্যকলা। ভৰত নাট্যমত ভাব, ৰাগ আৰু তালৰ অপূৰ্ব সমন্বয় ঘটিছে। প্ৰবাদ আছে যে, প্ৰাচীন কালত এই ভৰত নাট্যম নৃত্যবিধ 'দাসী অট্ৰম' নামেৰে প্ৰচলিত আছিল। আনহাতে, নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'ৰ বহুখিনি তথ্য ভাৰত নাট্যমত থকাৰ কাৰণে এই নৃত্যশাস্ত্ৰৰ নাম ভৰত নাট্যম বা ভাৰত নাট্যমৰূপে জনাজাত হয়। আজিৰ পৰা প্ৰায় ২০০ বছৰৰ আগতে তাঞ্জোৰৰ নৃত্যশিল্পীসকলৰ দ্বাৰাই এই ভৰত নাট্যম নৃত্যবিধৰ বৰ্তমানৰ ৰূপ গঢ় লৈ উঠিছিল। এইবিধ নৃত্য শৃংগাৰ ৰস আৰু ভক্তিৰস প্ৰধান। এই নৃত্যবিধ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো বহুলভাৱে জনপ্ৰিয়। অন্যান্য ভাৰতীয় নৃত্যধাৰাৰ দৰে ভৰত নাট্যমৰো মূল ভাবধাৰা ধৰ্মভিত্তিক আৰু দেৱতাকেন্দ্ৰিক। ভৰত নাট্যম সাধাৰণতে নাৰীয়ে পৰিবেশন কৰে যদিও পৰম্পৰাগতভাৱে এই নৃত্যৰ গুৰু পুৰুষহে। ভৰত নাট্যম পূৰ্ণাংগ ৰূপত পৰিবেশন কৰিবলৈ প্ৰায় দুঘণ্টা লাগে। ভৰত নাট্যম প্ৰথমাৱস্থাত মন্দিৰৰ দেৱদাসীসকলে পৰিবেশন কৰিছিল। ভৰত নাট্যম নৃত্যৰ ছটা ভাগ আছে। সেইকেইটা হ'ল— আল্লাৰিপু, যতিস্বৰম, শব্দম, বৰ্ণম, পদম আৰু তিল্লানা। এইবিধ নৃত্য আংগিক, বাচিক, সাত্ত্বিক আৰু আহাৰ্য্য এই চাৰি প্ৰকাৰৰ অভিনয়যুক্ত হয়। এইবিধ নৃত্যৰ মূল চৰিত্ৰ কৃষ্ণ যদিও বিষ্ণু আৰু শিৱৰ উদ্দেশ্যেও নৃত্য পৰিবেশন কৰা হয়। এই নৃত্যৰ সৈতে গীতো গোৱা হয়। আনুষংগিক বাদ্য হিচাপে থাকে বীণা, মৃদংগ, বাঁহী, বেহেলা, মন্দিৰা আদি। ভৰত নাট্যম নৃত্য পৰিবেশন কৰাৰ সময়ত বিশেষ পোছাক পৰিধান কৰা হয়। শাৰী এখনক এই নৃত্যত ধুতিৰ দৰে পিন্ধা হয়।

উল্লেখযোগ্য যে, ঊনৈছ শতিকাৰ পৰা কুৰি শতিকাৰ প্ৰথমভাগলৈ ভৰত নাট্যম নৃত্যবিধ লুপ্তপ্ৰায় হ'বলৈ ধৰাত কৃষ্ণ আয়াৰ নামৰ এগৰাকী ব্যক্তিয়ে পুনৰ এই নৃত্য ধাৰাটিক সমাজত নতুনকৈ পৰিচয় কৰাই দিয়ে। তাৰ পাছতেই এইবিধ শাস্ত্ৰীয় নৃত্য ৰুক্মিণী দেৱী, শ্ৰীৰাম গোপাল, মীনাক্ষী সুন্দৰম পিল্লাই, টি বালা-সৰস্বতী, যামিনী কৃষ্ণমূৰ্তি, শান্তা ৰাও ইত্যাদি প্ৰখ্যাত নৃত্যশিল্পীসকলৰ প্ৰচেষ্টাত পুনৰ সজীৱ হৈ উঠে আৰু দক্ষিণ ভাৰতৰ অন্যতম শাস্ত্ৰীয় নৃত্য 'ভৰত নাট্যম' হিচাপে সৰ্বত্ৰে পৰিচিত হৈ পৰে। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# হুমায়ুনৰ সমাধি



নতুন দিল্লীত অৱস্থিত হুমায়ুনৰ সমাধি মোগল স্থাপত্যৰ অনন্য নিদৰ্শন। ইয়াত দ্বিতীয় মোগল সম্ৰাট হুমায়ুনৰ সমাধিকে ধৰি অন্যান্য ৰজাসকলৰ সমাধি আছে। হুমায়ুনৰ মৃত্যুৰ ৯ বছৰৰ পাছত তেওঁৰ পত্নী হামিদা বানু বেগমৰ (আকবৰৰ মাতৃ) নিৰ্দেশত আঠকোণীয়া এই সমাধি সৌধটো নিৰ্মাণ কৰা হৈছিল। ৪৩ মিটাৰ ওখ এই সৌধটো নিৰ্মাণ কৰোঁতে খৰচ পৰিছিল প্ৰায় ১৫ লাখ টকা। ১৫৬৪ খৃষ্টাব্দত নিৰ্মাণ আৰম্ভ কৰা এই সমাধিটোৰ ১৫৭৩ চনত নিৰ্মাণ সম্পূৰ্ণ হৈছিল। সৌধটোৰ শীৰ্ষত ৩৮ মিটাৰ ওখ এটা গম্বুজ আছে। কেইবাখনো ধেনুভিৰীয়া তোৰণ আৰু ওখ খিৰিকীয়ে সমাধি সৌধটোৰ আকৰ্ষণ বৃদ্ধি কৰিছে। ৰঙা আৰু বগা বালীয়া শিলেৰে নিৰ্মিত হুমায়ুনৰ সমাধিটো নানান দৃষ্টিনন্দন নক্সাৰে সুশোভিত। এই সমাধি মোগল স্থাপত্যৰ এক বিশেষ ধৰণৰ স্থাপত্য আৰু ভাস্কৰ্য্যশৈলীৰ প্ৰথম নিদৰ্শন। পৰবৰ্তী কালত সম্ৰাট ছাহজাহানে আগ্ৰাত নিৰ্মাণ কৰা তাজমহলৰ লগত হুমায়ুনৰ সমাধিৰ গঠনশৈলীৰ ভালেখিনি সাদৃশ্য আছে। ১৯৯৩ চনত ইউনেস্ক'ৰে এই সমাধি সৌধক বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে ঘোষণা কৰে। ❖

## শুৱলা ভাষা

আমি সততে ভুল কৰা কেইটামান শব্দৰ শুদ্ধ ৰূপ এনে ধৰণৰ :

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| শণি | শনি | শনিবাৰে আমাৰ বিদ্যালয়ত সহ-পাঠ্যক্ৰমৰ শ্ৰেণী অনুষ্ঠিত হয়। |
| মণিষী | মনীষী | মনীষীসকলৰ জ্ঞান আৰু অভিজ্ঞতাই আমাক জীৱন পথত আগ বাঢ়িবলৈ সহায় কৰে। |
| উন্নয়ণ | উন্নয়ন | বৰ্তমান সময়ত অসমত ৰাস্তা-ঘাটৰ উন্নয়ন হৈছে। |
| সাহাৰ্য | সাহায্য | বানত ক্ষতিগ্ৰস্ত লোকলৈ চৰকাৰে প্ৰতি বছৰে সাহায্য আগ বঢ়ায়। ❖ |


## অসমীয়া ফকৰা-যোজনা, প্ৰবচন ইত্যাদি

# বেজীৰ জলা মনে, কুঠাৰৰ জলা নমনে

জলা মানে বস্তুৰ গাত থকা সৰু ফুটা বা ছিদ্ৰ। বেজীত থকা সৰু ছিদ্ৰটো দেখা পোৱা মানুহে কুঠাৰত থকা ছিদ্ৰ দেখা নোপোৱাটো অস্বাভাৱিক কথা। কিন্তু কিছুমান মানুহে সৰু সৰু কথাবোৰ মন কৰি আনৰ দোষ ধৰে যদিও ডাঙৰ দোষবোৰ আওকাণ কৰে। ডাঙৰ মানুহৰ ডাঙৰ দোষ চকুত নপৰাজনে আকৌ সৰু মানুহৰ সামান্য দোষটোকো সহজভাৱে নলৈ হাহাকাৰ কৰে। এই কথা বুজাবলৈকে যোজনাটো ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য :** হেৰৌ সৰু ছোৱালীজনীয়ে নজনাকৈ যেনিবা দোষটো কৰিলেই, তাকে ইমান ৰৌজাল-বৌজাল কৰিবলৈ কিহে পাইছে—ইয়াকে কয় বোলে বেজীৰ জলা মনে, কুঠাৰৰ জলা নমনে। ❖

# মাউখে উটিলে গুড়ি পৰুৱাৰো মৰণ নাই



মাউখ মানে এক লগ হোৱা বা জুম পতা। গুড়ি পৰুৱা অতিশয় ক্ষুদ্ৰ প্ৰাণী। গুড়ি পৰুৱা এটা এটাকৈ পানীত উটি গ'লে মৰণ নিশ্চিত। কিন্তু পানীত পৰা গুড়ি পৰুৱাবোৰ যেতিয়া মাউখে উটে অৰ্থাৎ একেলগে জুম পাতি উটি যায় তেতিয়া পানীত বুৰি নগৈ জীৱন ৰক্ষা কৰিব পাৰে। একেলগে যোৱাৰ ফলত পৰস্পৰৰ সান্নিধ্যত আটাইবিলাক জীয়াই থাকিব পাৰে।

একতাৰ বলত সাধাৰণ মানুহেও শক্তিশালী হৈ পৰিব পাৰে। বিপদ কালত একেলগে সমিলমিলেৰে আগ বাঢ়িলে নিজৰ কাৰ্য্য সিদ্ধি কৰিব পৰা যায়। এই যোজনাফাকিৰ অন্তৰ্নিহিত অৰ্থ এয়াই।

**প্ৰায়োগিক বাক্য :** এই বিপদৰ সময়ত আমি গাঁওবাসী একেলগ হোৱাহে যুগুত—কথাতে কয় বোলে মাউখে উটিলে গুড়ি পৰুৱাৰো মৰণ নাই। ❖

# *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# পানামা খাল

■ নিজৰা গোহাঁই



বৰ্তমান পানামা খাল নামেৰে জনাজাত হোৱা এই অঞ্চলটো ১৯১৪ চনৰ আগত পানামা যোজক নামেৰে জনাজাত আছিল। যোজক মানে হ'ল যি ঠেক স্থলভাগে দুটুকুৰা ডাঙৰ স্থলভাগক লগ লগায়। পানামা যোজকে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাক লগ লগাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯০৪ চনত সামুদ্ৰিক পৰিবহণৰ সুবিধাৰ বাবে এই যোজকৰ আটাইতকৈ ঠেক আৰু কম ওখ-চাপৰ অঞ্চলৰ মাজেদি খাল খন্দাৰ কাম আৰম্ভ কৰে। ১৯১৪ চনত এই খালটো খন্দাৰ কাম শেষ হয় আৰু তেতিয়াৰ পৰাই পানামা যোজকটো পানামা খাল হৈ পৰে।

পানামা খালৰ দৈৰ্ঘ্য ৮২ কিল'মিটাৰ আৰু বহল প্ৰায় ১২০ মিটাৰ। ইয়াৰ গভীৰতা প্ৰায় ১২ মিটাৰ। পানামা খালটো খান্দিবলৈ আৰম্ভ কৰোঁতেই এটা সমস্যাৰ সৃষ্টি হৈছিল। সেই অঞ্চলটো শিলাময় হোৱাৰ কাৰণে কেইমিটাৰমান খন্দাৰ পাছতেই দীঘলীয়া শিলৰ শাৰী পোৱা গৈছিল; যাৰ বাবে আৰু তললৈ খন্দাটো সম্ভৱ নহ'ল। এনে হ'লে বাণিজ্যিক জাহাজ পাৰ হ'লে তলৰ শিলত খুন্দা খাই জাহাজ ভাঙি যোৱাৰ সম্ভাৱনা অধিক। সেয়ে ইয়াত 'লক এণ্ড লেক' পদ্ধতিৰে খন্দাৰ ব্যৱস্থা কৰা হ'ল। এই পদ্ধতিত খালটোৰ মুঠ ছটা স্থানত (য'ত তলত শিল আছিল) শ্লুইচ গেট স্থাপন কৰা হয়। জাহাজ অহাৰ সময়ত ইয়াৰ জলস্তম্ভ কৃত্ৰিমভাৱে ওপৰলৈ তুলি জাহাজ পাৰ কৰাৰ ব্যৱস্থা কৰা হ'ল। আধুনিক জাহাজবোৰ আকাৰত বিশাল হোৱাৰ বাবে পানামা খালেদি অহা-যোৱা কৰাত কিছু সমস্যা হোৱাৰ লগতে প্ৰায় ৯ ঘণ্টামান পলম হয় যদিও ইয়াৰ ফলত সাগৰীয় দূৰত্ব বহু কিল'মিটাৰ কমি যায়। পানামা খালটো খন্দাৰ আগতে এখন জাহাজে আটলাণ্টিক মহাসাগৰৰ পৰা প্ৰশান্ত মহাসাগৰলৈ যাওঁতে কেপ হৰ্নেদি প্ৰায় ১৬ হাজাৰ কিল'মিটাৰ ঘূৰি যাবলগীয়া হৈছিল।

সাগৰীয় দূৰত্ব হ্ৰাস কৰিবৰ বাবে ১৯০৪ চনত ডব্লিউচি জৰ্জেছৰ (W.C. Georges) তত্ত্বাৱধানত পানামা খাল খন্দাৰ কাম আৰম্ভ হ'লেও পাছত জিডব্লিউ গোয়েথালছে (G.W. Goethals) এই দায়িত্ব লয় আৰু ১৯১৪ চনত এই কাম শেষ কৰে। ১৯১৪ চনৰ ১৫ আগষ্ট তাৰিখে প্ৰথমখন জাহাজ এই খালটোৰে পাৰ হয়। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

### প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী |
|---|---|
| অনুতাপ, অনুশোচনা | remorse, regret |
| দূৰৱৰ্তী | remote |
| অৱশেষ | remnant |
| মেৰামতি কৰা | repair |
| নিজৰ দেশলৈ প্ৰত্যাৱৰ্তন | repatriation |
| ৰদ কৰা, খাৰিজ কৰা | repeal |
| প্ৰতিবেদন | report |
| প্ৰতিৰূপ | replica |
| দমন, অৱদমন | repression |
| প্ৰতিনিধি | representative |
| ভৰ্ৎসনা, নিন্দা | reprimand |
| পুনৰ্মুদ্ৰণ কৰা | reprint |
| সৰীসৃপ | reptile |
| গণৰাজ্য, লোকতন্ত্ৰ | republic |

| অসমীয়া | ইংৰাজী |
|---|---|
| বীভৎস, বিৰক্তিকৰ | repulsive |
| সুনাম, খ্যাতি | reputation |
| অধিগ্ৰহণ | requisition |
| আৱশ্যক হোৱা | require |
| উদ্ধাৰ কৰা | rescue |
| গৱেষণা | research |
| সাদৃশ্য, মিল | resemblance, similarity |
| জলাধাৰ, চৌবাচ্চা | reservoir |
| বাসিন্দা, আৱাসী | resident |
| বাসস্থান, আৱাস | residence |
| পদত্যাগ কৰা | resign |
| সংকল্প | resolution |
| সম্পদ | resource |
| বিৰাম, বিৰতি | respite |
| অনুনাদ | resonance |
| ফলাফল, পৰিণতি | result ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# দেউতা




এখন সৰু, সাধাৰণ কিতাপৰ কথা তোমালোকক ক'বলৈ ওলাইছোঁ। এখন সাধাৰণ কিতাপ বুলি কৈছোঁ যদিও কিতাপখন পঢ়ি উঠি তোমালোক এক গভীৰ উপলব্ধিৰ মুখামুখি হ'ব পাৰিবা বুলি নিশ্চিতভাৱে ক'ব পাৰোঁ।

কিতাপখনৰ মূল নামটো 'বাবা'। বাংলা ভাষাত ব্ৰতীন দেয়ে লিখা এই কিতাপখন অসমীয়া ভাষালৈ 'দেউতা' নামেৰে অনুবাদ কৰিছে জগত বৰাই। কিতাপখনত আছে এটি কণমানি সন্তানে দেউতাকৰ বিষয়ে কোৱা কিছু কথা, কিছু উপলব্ধি। সৰুতে শিশুটোৰ দেউতাকৰ দৰে ওখ হ'বলৈ বৰকৈ ইচ্ছা জাগে। চকী-টেবুল জোৰা দি দেউতাকৰ সমান ওখ হোৱাৰ চেষ্টা কৰে। শিশুটিয়ে মন কৰে দেউতাক সদায় পুৱা অফিচলৈ যায়—যথেষ্ট কষ্ট কৰে। শিশুটিয়ে নীৰৱে লক্ষ্য কৰে, বুজি উঠে—দেউতাকে প্ৰতিদিনে কষ্ট কৰাৰ কাৰণ হ'ল পৰিয়ালটোৱে যাতে ভালদৰে খাই-বৈ সুখেৰে থাকিব পাৰে।

লাহে লাহে শিশুটো ডাঙৰ হৈ আহে। দেউতাকে কষ্ট কৰি ঘৰ চলোৱাৰ কথাটো বুজি উঠিব পৰা হয়। দেউতাকে যে বিভিন্ন দুশ্চিন্তা-সমস্যাবোৰ অকলেই সমাধা কৰে—সমস্যাৰ ভাৰ পৰিয়ালটোক নিদিয়ে সেই উপলব্ধিয়ে শিশুটিক বুজন কৰি তোলে।

সৰু কালত শিশুটিক কোলাত লৈ মৰম কৰা দেউতাকে মাজে মাজে খঙো কৰিছিল। পঢ়া-শুনা নকৰিলে, দুষ্টালি কৰিলে শাস্তি দিছিল। অৱশ্যে দেউতাকে অনেক সাধুকথাও কৈছিল। কাপোৰ আৰু খেলা বস্তু কিনি দিছিল। দেউতাকে সদায় ভালদৰে পঢ়া-শুনা কৰি ভাল মানুহ হ'ব লাগিব বুলি কণমানিটোক সকীয়াই আছিল। দেউতাকে ল'ৰাটোক ভালদৰে চলা-ফুৰা কৰিবলৈ শিকাইছিল, বস্তুবোৰ চিনি পাবলৈ শিকাইছিল।

ডাঙৰ হোৱাৰ পাছত শিশুটোৱে মন কৰিলে দেউতাক যেন বন্ধুৰ নিচিনা হৈ পৰিছে। বন্ধুৰ দৰে দেউতাকে বিভিন্ন কথা-বতৰা পাতে, আলোচনা কৰে। সময়ৰ গতিত দেউতাকজন বৃদ্ধ হৈ আহিল। এতিয়া ডাঙৰ হৈ উঠা ল'ৰাটোৱে দেউতাকে খোজ কাঢ়িলে ধৰি দিয়ে। সময়মতে ঔষধ খুৱাই দিয়ে। দেউতাকৰ ইচ্ছাবোৰ এতিয়া ল'ৰাটোৱে পূৰণ কৰে। দেউতাকে ল'ৰাটোক থৰ লাগি চাই থাকে। অন্তৰৰ পৰা আশীৰ্বাদ দিয়ে। ল'ৰাটোৱে অনুভৱ কৰে দেউতাক যেন সমগ্ৰ পৰিয়ালটোৰ বাবে এক ছাতিৰ নিচিনা। যি ছাতিয়ে সকলোকে আন্তৰিকতাৰে আবৰি আছে।

এই মনপৰশা কাহিনী থকা কিতাপখন প্ৰকাশ কৰিছে নেছনেল বুক ট্ৰাষ্টে। কিতাপখনৰ মূল্য ৭৫ টকা। ❖

# মুখা শিল্প

■ ৰীতামণি মহন্ত



মুখা শিল্প হৈছে অসমৰ এবিধ প্ৰাচীন লোককলা। ই এক অপূৰ্ব পৰম্পৰা আৰু নান্দনিকতাৰ উৎস। মুখা শিল্পক 'মুখোটা শিল্প' বুলিও কোৱা হয়। মুখা শিল্প মাজুলীৰ অন্যান্য স্বকীয় বৈশিষ্ট্যবোৰৰ ভিতৰত অন্যতম। মাজুলীৰ মুখা শিল্পই আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়তো খ্যাতি আৰু স্বীকৃতি লাভ কৰিছে। মুখা শিল্প শংকৰদেৱৰ সত্ৰ-সংস্কৃতিৰ এক অমূল্য দান।

**মুখা শিল্পৰ উৎপত্তি**

শ্ৰীমন্ত শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰিবলৈ নাট-ভাওনাৰ ব্যৱস্থা কৰে। এই ভাওনাসমূহৰ জৰিয়তে বিভিন্ন পুৰাণ আৰু মহাভাৰতৰ কাহিনী দৰ্শকৰ মাজত উপস্থাপন কৰা হৈছিল। এই নাটসমূহৰ এটা বিশেষত্ব আছিল মুখাৰ ব্যৱহাৰ। শংকৰদেৱে ভাওনাৰ পাত্ৰসমূহ বিশ্বাসযোগ্য বা বাস্তৱসন্মত কৰিবলৈ মুখাৰ প্ৰয়োজন অনুভৱ কৰিছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ কাহিনীৰ আধাৰত ৰচিত নাটকসমূহত কিছু কিছু চৰিত্ৰৰ স্বাভাৱিক মুখমণ্ডলে প্ৰকাশ কৰিব নোৱৰা ভাব, ৰূপদান তথা ৰস প্ৰকাশ কৰিবলৈ যাওঁতেই মুখাৰ জন্ম হয়।

ভাৰতত মুখাৰ ব্যৱহাৰ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিককৈ জনা নাযায় যদিও ভৰত মুনিৰ নাট্যশাস্ত্ৰত 'ছোঁ'ৰ উল্লেখ থকালৈ চাই ইয়াৰ প্ৰচলন যে বহু প্ৰাচীন তাক অনুমান কৰিব পাৰি। অসমতো মুখা শিল্পৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল তাক ভালদৰে জনা নাযায় যদিও শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচেষ্টাতেই ইয়াৰ প্ৰচলন হয় বুলিব পাৰি।

**মুখা তৈয়াৰ কৰা প্ৰক্ৰিয়া**

মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীদেৱৰ পৰা পোৱা তথ্য অনুসৰি মুখা নিৰ্মাণৰ বাবে প্ৰথমে জাতি বাঁহৰ কাঠীৰে মুখাটোৰ এটা অৱয়ব তৈয়াৰ কৰা হয়। তাৰ ওপৰত নাক, মুখ, কাণ আদিৰ বাবে চৰিত্ৰ অনুসৰি কুহিলাৰে সেইসমূহ নিৰ্দিষ্ট স্থানত লগোৱা হয়। তাৰ পাছত কুমাৰ মাটিত কপাহী কাপোৰ লেটিয়াই লৈ মুখাৰ অৱয়বটোৰ ওপৰত লগাই দিয়া হয়। সেইখিনি ৰ'দত শুকোৱাৰ পাছত গোবৰ আৰু কুমাৰ মাটিৰ সংমিশ্ৰণ তাৰ ওপৰত ব্যৱহাৰ কৰি নিৰ্দিষ্ট চৰিত্ৰটোৰ ৰূপ দিয়া হয়। ৰ'দত ভালদৰে শুকুৱাৰ পাছত তাৰ ওপৰত পুনৰ মাটি লেপি লোৱা কাপোৰ লগাই দি ওপৰত মিহিকৈ মাটিৰ লেপন দি শুকুওৱা হয়। নাক-কাণ আদিক পূৰ্ণ ৰূপ দি পাছত মুখাখন ৰং কৰিবৰ বাবে সাজু কৰা হয়। কামটো সম্পূৰ্ণ কৰিবলৈ প্ৰায় ১২ৰ পৰা ১৫ দিনমান সময়ৰ প্ৰয়োজন হয়। মুখাৰ পৰম্পৰাগত ভাগসমূহ হৈছে—

১। **বৰ মুখা** : সত্ৰীয়া মুখাৰ এটা ভাগ হ'ল বৰ মুখা বা ছোঁ মুখা। ইয়াত চৰিত্ৰৰ সম্পূৰ্ণ শৰীৰ নিৰ্মাণ কৰা হয়। ৰাৱণ, কুম্ভকৰ্ণ, নৰসিংহ আদি চৰিত্ৰসমূহত বৰ মুখা ব্যৱহাৰ কৰা হয়।

২। **লো-টোকৰি মুখা বা চুটি ছোঁ মুখা** : এই মুখা নিৰ্মাণ কৰোঁতে কোনো এটা চৰিত্ৰৰ মূৰ বা গা অংশ নিৰ্মাণ কৰা হয়। ৰাম বিজয় নাটকৰ তাৰকা, কালি দমন নাটৰ কালী নাগ, কৃষ্ণলীলাৰ পুতনা আদি চৰিত্ৰত এই মুখাৰ ব্যৱহাৰ হয়।

৩। **মুখ মুখা** : কেৱল মুখমণ্ডল ঢাকি ভাব প্ৰকাশ কৰিবলৈ এই মুখা ব্যৱহাৰ কৰা হয়। গৰুড়, মাৰিছ, সুবাহু, শংখচূড় আদি চৰিত্ৰৰ বাবে মুখ মুখা ব্যৱহাৰ কৰা হয়।

**মুখাৰ ব্যৱহাৰ**

গুৰুজনাৰ প্ৰথমখন নাট ‘চিহ্নযাত্ৰা’ত প্ৰথমবাৰৰ বাবে গৰুড় পক্ষী, চতুড়ানন ব্ৰহ্মা, শিৱ আদি চৰিত্ৰৰ বাবে মুখা নিৰ্মাণ কৰি ব্যৱহাৰ কৰা হয়। ৰামায়ণৰ ৰাৱণ, কুম্ভকৰ্ণ, শূৰ্পণখা, জঁটায়ু, তাৰকা, মাৰিছ, সুবাহু, সুগ্ৰীৱ আদি চৰিত্ৰসমূহৰ উপৰি ভগৱানৰ দশ অৱতাৰৰ মৎস্য, কুৰ্ম, নৰসিংহ আদিৰ বাবে মুখা ব্যৱহাৰ কৰা হৈছিল। বৰ্তমানেও এই ব্যৱহাৰ প্ৰচলিত হৈ আছে।

**সামাজিক তথা অৰ্থনৈতিক অৱদান**

বৰ্তমান সময়ত মুখাক কেৱল ভাওনাতে আবদ্ধ নাৰাখি আন আন ক্ষেত্ৰতো ইয়াক ব্যৱহাৰ কৰা হৈছে। যেনে—উপহাৰ হিচাপে দিয়া, উৎসৱ-পাৰ্বণ, সভা-সমিতিত সজোৱা, ঘৰ সজোৱা আদি উদ্দেশ্যেও মুখা ব্যৱহাৰ কৰা হয়।

মুখা শিল্পৰ জৰিয়তে স্থানীয় শিল্পীসকলৰ বাবে কৰ্ম সংস্থাপনৰ সৃষ্টি হৈছে। মুখা বিক্ৰী কৰি তেওঁলোকে স্থানীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত সুনাম লাভ কৰাৰ উপৰি আৰ্থিকভাৱেও সবল হৈছে। মুখা শিল্পক মেলা, প্ৰদৰ্শনী আৰু ই-কমাৰ্চ প্লেটফৰ্ম আদিৰ জৰিয়তে বাণিজ্যিক ৰূপ দিয়া হৈছে।

অসমৰ বিভিন্ন স্থানত আয়োজিত হস্তশিল্প মেলা, বাণিজ্য মেলা, সাংস্কৃতিক সমাৰোহ আদিত মুখা প্ৰদৰ্শন কৰাৰ বাবে এই শিল্পৰ প্ৰতি স্থানীয় আৰু বিদেশী লোকৰ আগ্ৰহ বৃদ্ধি পাইছে। চৰকাৰে মুখা শিল্পৰ প্ৰচাৰ কৰিবলৈ বিভিন্ন প্ৰদৰ্শনী আৰু ৰাস মহোৎসৱৰ দৰে ৰাজহুৱা উৎসৱৰ আয়োজন কৰি বিশেষ ভূমিকা পালন কৰিছে।

অনলাইন প্লেটফৰ্মৰ জৰিয়তে মুখা শিল্পৰ প্ৰচাৰ, প্ৰসাৰ তথা ক্ৰয়-বিক্ৰয় বৃদ্ধি পাইছে। অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে মুখা শিল্পক উন্নত কৰাৰ বাবে বহু আঁচনি আৰু প্ৰশিক্ষণ কাৰ্য্যসূচী হাতত লৈছে। মাজুলীৰ মুখা শিল্পৰ বাণিজ্যিকীকৰণে স্থানীয় শিল্পী আৰু লোকসকলৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাইছে।

**মুখা শিল্পৰ সংৰক্ষণ**

অসমৰ বিভিন্ন ঠাইত মুখা নিৰ্মাণ কৰা হয় যদিও মাজুলীৰ চামগুৰি সত্ৰৰ মুখা অনন্য বুলি ক’ব পাৰি। এই সত্ৰৰ মুখাই অসমৰ বিভিন্ন ঠাইৰ উপৰি অসমৰ বাহিৰৰ নতুন দিল্লী, কলকাতা আদিৰ সংগ্ৰহালয়ত সংৰক্ষিত হোৱাৰ লগতে লণ্ডনৰ বৃটিছ মিউজিয়ামতো স্থান লাভ কৰিছে। ই কেৱল মাজুলীবাসীৰ বাবে নহয় সমগ্ৰ অসমৰ বাবেই গৌৰৱৰ কথা।

**স্বীকৃতি**

মুখা শিল্প সাধনাৰ যোগেদিয়েই কেইবাজনো ব্যক্তিয়ে ৰাজ্যিক শিল্পী পেন্সন পোৱাৰ উপৰি দুজন ব্যক্তি ক্ৰমে মাজুলীৰ নতুন চামগুৰি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ কোষকান্ত দেৱগোস্বামী আৰু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীয়ে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰদান কৰা সংগীত নাটক অকাডেমি বঁটা লাভ কৰিছে। তদুপৰি, এই শিল্পক আগ বঢ়াই নিয়াৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে হেমচন্দ্ৰ গোস্বামীক সন্মানীয় পিএইচডি ডিগ্ৰী প্ৰদান কৰিছে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, এপ্ৰিল, ২০২৫

১। ‘মৰমৰ গীত গাই বিমোহিত কৰা’—কোনটো মিচিং শব্দৰ এয়া আক্ষৰিক অৰ্থ?

২। স্বাধীন ভাৰতৰ প্ৰথমটো ডাক টিকটত কিহৰ ছবি প্ৰকাশ পাইছিল?

৩। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত চেঞ্চুৰী অৰ্জন কৰা প্ৰথম ভাৰতীয় খেলুৱৈজন কোন?

৪। পদ্মবিভূষণ সন্মান লাভ কৰা প্ৰথমজন ভাৰতীয় ক্ৰীড়াবিদ কোন?

৫। এই চলচ্চিত্ৰখন জোছেফ ডেভিদৰ এখন পাৰ্চী নাটকৰ আধাৰত নিৰ্মাণ কৰা হৈছিল। চলচ্চিত্ৰখনৰ নামটোৰ অৰ্থ—the ornament of the world. কোনখন চলচ্চিত্ৰ? ❖

# কুইজ

■ দীপাংকৰ কৌশিক

**এইবাৰৰ কুইজৰ শিতানটি অসমৰ লোকসংস্কৃতিৰ বিষয়ৰে সজোৱা হৈছে।**

১। ব'হাগ মাহৰ প্ৰথম বুধবাৰৰ পৰা আৰম্ভ হোৱা অসমৰ এক জনগোষ্ঠীৰ বিহুত পৰিবেশন কৰা হুঁচৰিক 'হিচৰি' বোলে। এই হিচৰিৰ পৰাই হুঁচৰি শব্দৰ সৃষ্টি হোৱা বুলিও একাংশ গৱেষকে কয়। জনগোষ্ঠীটোৰ নাম কি?

২। এটা কৃষিভিত্তিক লোক উৎসৱটো ভাদ মাহৰ পূৰ্ণিমা তিথিৰ পৰা পাঁচদিন ধৰি পালন কৰা হয়। ইয়াৰ অৰ্থ হৈছে—বাঁহ টুকুৰিয়াই গোৱা বা কোৱা। উৎসৱটোৰ নাম কি?

৩। অসমৰ এক জনগোষ্ঠীয়ে নানা ধৰণৰ লোকবিশ্বাস মানি আহিছে। কৃষি পথাৰত কঠীয়া সিঁচাৰ পূৰ্বে 'মুঠি লোৱা' অনুষ্ঠান পাতে। তেওঁলোকৰ ৰাতি সেৱা বা ভিতৰ সেৱা এটা ধৰ্মীয় অনুষ্ঠান। এই অনুষ্ঠান উদ্‌যাপন কৰা ঘৰটোক সচংঘৰ বোলে। জনগোষ্ঠীটোৰ নাম কি?

৪। ব'হাগ বিহুৰ এবিধ বাদ্যৰ মূল ভাগ হৈছে—গাঁঠি, চতি বা চতিয়া আৰু পাব। ই আকৌ তিনি প্ৰকাৰৰ। হাত, মাটি আৰু কেঁকোৰা। বাদ্যবিধৰ নাম কি?

৫। শ্বপং য়ং মানাউ পয় অসমৰ এক জনগোষ্ঠীৰ জাতীয় উৎসৱ। ১৪ ফেব্ৰুৱাৰীৰ পৰা এই উৎসৱ পালন কৰে। তেওঁলোকৰ বিশ্বাস মতে শ্বপং য়ং তেওঁলোকৰ পূৰ্বপুৰুষ টিংলিয়ঙৰ পিতৃ। কোন বাৰু তেওঁলোক?

৬। ইকু (ধুতি), বচে (গামোচা), বমা (পুৰুষৰ পাগুৰি আকাৰে মাৰি লোৱা কাপোৰ), ইগু (মেখেলা), এৰিয়া ইচা (এৰী কাপোৰ), জিমা (ব্লাউজ)—আদি সাজ-পাৰ পৰিধান কৰা জনগোষ্ঠীটোৰ নাম কি?

৭। বগেজাৰী গীত। ই বহুৰঙী গীত ৰূপেও চৰ্চিত। এয়া কোন জনগোষ্ঠীয়ে পৰিবেশন কৰা গীত বাৰু?

৮। ধৰ্ম হুঁচৰি ৩, ৫, ৭, ৯ আদি অযুগ্ম বৰ্ষৰ অন্তৰে অন্তৰে গোৱা নিয়ম। ধৰ্ম হুঁচৰি মাৰিলে গাঁওখনৰ, সমাজৰ তথা দেশৰ অপায়-অমংগল দূৰ হোৱা বুলি বিশ্বাস প্ৰচলিত। কোনটো জনগোষ্ঠীয়ে এই ধৰ্ম হুঁচৰি পৰিবেশন কৰে?

৯। এক উৎসৱ গাঁৱৰ নামঘৰ বা মুকলি ঠাইত পালন কৰা হয়। সাধাৰণতে তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰা হয়। উৎসৱ পৰিচালনাৰ বাবে নিগম, বৰা, বৰপুৱাৰী, ডেকাবৰা, তিৰিবৰা আদি পদবী থাকে। অতীজত এই উৎসৱত মিবুয়েহে পৌৰোহিত্য কৰিছিল। মাঘ-ফাগুনত পালন কৰা এই উৎসৱটোৰ নাম কি?

১০। বাঘধনু, ধুপ চুঙা বা ধূতং, হুইটলিং, হৰিমলা, টলিং, কৌকাং—অসমৰ কোনটো জনগোষ্ঠীৰ লোকবাদ্য?

১১। ৰিতনং চিংদি—শস্য সিঁচাৰ উৎসৱ। হাচা কেকান—শস্য চপোৱাৰ পাছত পতা উৎসৱ। কোনে এই উৎসৱ পালন কৰে?

১২। কোনটো জনগোষ্ঠীৰ গাভৰুসকলে বসন্তকালীন লোকউৎসৱৰ সৈতে সংগতি ৰাখি পৰিবেশন কৰা বিহু নৃত্যক ছেংনাং বিহুৰ নৃত্য বোলা হয়?

১৩। হামজাৰ এবিধ লোকনৃত্য। ইয়াৰে হা মানে মাটি। মাজাৰ মানে হ'ল মাজত, এইবিধ নৃত্য কোন জনগোষ্ঠীৰ?

১৪। কাতি মাহৰ শেষত নাইবা কাতিৰ সংক্ৰান্তিৰ দিনা কোনটো জনগোষ্ঠীয়ে কাতি পূজা (কৌতকী) পালন কৰে?

১৪। চিংফৌ সমাজত 'পাও' লোকবাদ্যৰূপে অতি জনপ্ৰিয়। এই 'পাও' আমাৰ মাজত কি নামেৰে জনপ্ৰিয়?

**চিত্ৰ সংকেত**

১৫। ৰাভাসকলৰ এই লোকবাদ্যবিধৰ নামটো কি? ❖



# জিঞা

■ সুদীপ্তা চৌধুৰী

আমাৰ পৃথিৱীত কিমান যে কীট-পতংগ আছে আৰু সেই কীট-পতংগবোৰে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰে সেয়া হয়তো আমি কল্পনাও কৰিব নোৱাৰোঁ। আমি সচৰাচৰ দেখা পোৱা ফৰিং, উঁইচিৰিঙা, মাখি, মহ, জিঞা আদি পতংগবোৰে প্ৰতিখন ঠাইতে বগায়, জাক পাতি উৰে, গুণগুণায়, ভুনভুনায়। ইহঁতে বায়ু-পানী বিশুদ্ধ কৰে, মাটি সাৰুৱা কৰে, ফুলৰ পৰাগযোগ ঘটায় তথা মানুহৰ জীৱনৰ কাৰণে প্ৰয়োজনীয় অৱদান আগ বঢ়ায়। শস্যৰ অনিষ্টকাৰী সৰু-সুৰা প্ৰাণী, অপকাৰী ঘাঁহ-বনো এই পতংগবোৰেই খাই আমাৰ উপকাৰ সাধন কৰে।



এই পতংগসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ বেছিভাগ ঠাইতে পোৱা এবিধ পতংগ হ'ল জিঞা। পৃথিৱীৰ ভিতৰত আটাইতকৈ পুৰণি আৰু ধুনীয়া পতংগবিলাকৰ ভিতৰত জিঞা অন্যতম। ইংৰাজীত ইয়াক কোৱা হয় dragonfly। ইয়াৰ বৈজ্ঞানিক নাম *Megaloprepus cocrulatus*। এতিয়ালৈ আৱিষ্কৃত পতংগবোৰক পাখিৰ গঠন আৰু পাৰ্থক্য, আকৃতি, খাদ্য আহৰণৰ প্ৰক্ৰিয়া আদিলৈ চাই কিছুমান গোটত ভাগ কৰা হৈছে। বৰ্তমানৰ জীৱিত পতংগবোৰক চৌত্ৰিছটা বৰ্গত বিভক্ত কৰা হৈছে। জিঞাক 'অ'দ'নাটা' (odonata) নামৰ বৰ্গটোত অন্তৰ্ভুক্ত কৰা হৈছে। জিঞাবোৰৰ জীৱনকাল দুটা পৰ্য্যায়ত সমাপ্ত হয়। পলু আৰু পূৰ্ণাংগ অৱস্থা। জিঞাৰ জন্ম পানীত হয় অৰ্থাৎ পুখুৰী, হ্ৰদ, নিজৰা আদি হৈছে ইহঁতৰ বসতিস্থল। জিঞাৰ জলচৰ পলুবিলাক মাংসভোজী। সিহঁতে অন্য কীট, যেনে—মহৰ পলু, লালুকী আদি খায়। পলু অৱস্থাতেই হওক বা পূৰ্ণাংগ অৱস্থাতেই হওক জিঞাবোৰ বৰ পাকৈত চিকাৰী। জিঞাৰ তলৰ হনুটো বৰ শক্তিশালী আৰু বহু আগলৈ আগ বঢ়াই দিব পাৰে। প্ৰয়োজন নোহোৱাৰ সময়ত হনুটো ভাঁজ কৰি থয়। হনুটো চিকাৰ ধৰিবৰ সময়ত বিজুলীবেগেৰে মূৰৰ সন্মুখলৈ আগ বঢ়াই দিয়ে। হনুটোৰ মূৰলৈ দাঁত আৰু জোঙা হাঁকোটা থাকে। পলুবিলাকে সাধাৰণতে স্থিৰ অৱস্থাত পানীৰ তলত বৰ কৌশলেৰে আনে নেদেখাকৈ থাকে। কিবা চিকাৰ ওচৰলৈ আহে নেকি তাকে লক্ষ্য কৰি থাকে। যেতিয়াই চিকাৰটো আগত পৰে, মুহূৰ্তৰ ভিতৰতে বিজুলীবেগত ফণা তোলা মুখখন চিকাৰৰ ওচৰলৈ লৈ যায়। তেতিয়া চিকাৰটো জিঞাৰ দাঁত আৰু হাঁকোটাৰ মাজত লাগি ধৰে। পলুটোৱে তাৰ পাছত মুখখন চিকাৰটোৰ সৈতে কোঁচাই আনি লাহে-ধীৰে চিকাৰটো খায়। ফুলৰ সহায়ত পলুবিলাকে শ্বাস-প্ৰশ্বাস লয়। পূৰ্ণাংগ জিঞা এটাৰ সিৰা-উপসিৰা থকা দুযোৰ পাখি থাকে। পাখিবোৰ দীঘলে প্ৰায় ৬৮ মিলিমিটাৰ। জিঞা হৈছে তীব্ৰবেগী পতংগ। ছেকেণ্ডত ১০ মিটাৰ পৰ্য্যন্ত বেগাই উৰি যাব পৰা জিঞাৰ মূৰৰ সন্মুখত শুং এযোৰ থাকে। শুংযোৰ চুটি আৰু ক্ষীণ আৰু চকুকেইটা ডাঙৰ। চকুকেইটা দেখাত ডাঙৰ যেন লাগিলেও প্ৰকৃততে চকুকেইটা প্ৰায় ২৮ হাজাৰ সৰু সৰু খণ্ডত বিভক্ত। এনে ধৰণৰ চকুৰ বাবেই ইহঁতে ক্ষুদ্ৰ ক্ষুদ্ৰ মাখি, মহ আদি উৰি থকা অৱস্থাতেই দেখা পায়। জিঞাৰ মুখখন মূৰৰ তলৰ অংশত থাকে। ইহঁতৰ ঠেং তিনিযোৰ বুকুত থাকে। ঠেংকেইখনৰ ঘাই কাম খোজ কঢ়া, দৌৰা বা বগোৱা নহয়; বৰঞ্চ জোঙা ঠেংকেইখন মুকলিকৈ থকা বস্তু লৰোৱা, চিকাৰবোৰ উৰি যাওঁতে থাপ মাৰি ধৰা, ক'ৰবাত থিতাপি লোৱা আদি কামতহে ব্যৱহাৰ হয়। দেহটো লাহী আৰু দীঘল। আকৃতিৰ ফালৰ পৰা চাবলৈ

## প্ৰকৃতি

গ'লে সৰু-ডাঙৰ বিভিন্ন আকৃতিৰ জিএঞা দেখা যায়। পতংগবোৰৰ ভিতৰত জিএঞাই সম্ভৱতঃ আটাইতকৈ শক্তিশালী চিকাৰী। পলু অৱস্থাৰ নিচিনাকৈ পূৰ্ণাংগ জিএঞাবোৰো চিকাৰত পাকৈত। ইহঁতে খুব বেগাই উৰি ফুৰোঁতে কাঁইটীয়া ঠেংকেইখনেৰে চিকাৰ ধৰে আৰু ঠেংকেইখনৰ মাজত সৃষ্টি হোৱা মোনাটোত চিকাৰবোৰ বন্দী কৰি ৰাখে, যাতে সিহঁতে তাৰ পৰা ওলাই যাব নোৱাৰে। পাছত লাহে লাহে চিকাৰবোৰ খায়।

মন কৰিবলগীয়া যে, পখিলা আৰু জিএঞা দেখিবলৈ প্ৰায় একে বা ইয়াৰ বিকাশৰ ক্ষেত্ৰতো কিছু মিল থকা যেন লাগিলেও প্ৰকৃততে দুয়োটাৰে মাজত পাৰ্থক্য আছে। জিএঞা হৈছে ডাইন'ছৰৰ আগৰ এক প্ৰজাতি যি প্ৰায় ৩০০ মিলিয়ন বছৰ আগতে আমাৰ পৃথিৱীলৈ আহিছিল।

জিএঞাবোৰ খুব কম সময়ৰ বাবেহে জীয়াই থাকে। এটি পূৰ্ণাংগ জিএঞা একৰ পৰা দুসপ্তাহলৈ জীয়াই থকা দেখা যায় যদিও কেতিয়াবা ছয়ৰ পৰা আঠ সপ্তাহলৈকে জীয়াই থাকে। ভাৰতৰ সাধাৰণ জিএঞাবোৰৰ প্ৰকাৰ হ'ল—অৰিহেট্ৰাম, গমফাছ, লাইবেল্লুলা আৰু এগ্ৰিয়ন। শেহতীয়া খবৰ অনুসৰি তেজপুৰত এবিধ নতুন প্ৰজাতিৰ জিএঞা কিছুদিনৰ আগতে আৱিষ্কাৰ হৈছে। এই জিএঞাৰ প্ৰজাতিটোক দুগৰাকী মহিলা প্ৰকৃতিবিদ মনীষা বেন বেহেল আৰু ৰীতা বেনাৰ্জীৰ নামেৰে নামকৰণ কৰা হৈছে। ❖

## বৰেণ্য ব্যক্তিত্ব

# টালিমেৰেন আও

■ **ৰাজশ্ৰী লহকৰ**



টালিমেৰেন আও (চমুকৈ টি আও, T Ao) ভাৰতীয় ফুটবল জগতৰ এজন পথ- প্ৰদৰ্শক ব্যক্তি আছিল। ১৯১৮ চনৰ ২৮ জানুৱাৰীত বৰ অসমৰ নগা পাহাৰত (এতিয়াৰ নাগালেণ্ড) জন্মগ্ৰহণ কৰা আও কেৱল এজন ভগৱান প্ৰদত্ত শৈলীৰ দুৰন্ত ফুটবলাৰ নাছিল, তেওঁ জনসাধাৰণৰ বাবেও গৌৰৱৰো প্ৰতীক আছিল। অতিকৈ পিছপৰা ঠাইৰ পৰা গৈ তেওঁ ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত ভাৰতীয় ফুটবল দলৰ নেতৃত্ব বহন কৰিছিল। মাত্ৰ এবছৰ আগতে স্বাধীনতা লাভ কৰা দেশখনক অলিম্পিকৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চত পাৰদৰ্শিতাৰে নেতৃত্ব দি আগুৱাই নিয়াৰ বাবে টালিমেৰেন আও আজিও স্মৰণীয় হৈ ৰৈছে। তেওঁ উত্তৰ-পূবৰ চহকী ক্ৰীড়া প্ৰতিভাৰ এক প্ৰতিমূৰ্তিস্বৰূপ।

টালিমেৰেন আওৰ জন্ম এক শিক্ষিত নগা পৰিয়ালত হৈছিল। আও ৰেভাৰেণ্ড সুবংৰ্তী নিংডাংগ্ৰী আৰু মাওংছাংলা চাংকিলাৰীৰ ১১ জন সন্তানৰ চতুৰ্থজন আছিল। তেওঁৰ পিতৃ এজন চিকিৎসক (তেতিয়াৰ বেজ) আছিল আৰু নগা সমাজৰ এজন প্ৰভাৱশালী ব্যক্তি আছিল। পিতৃৰ পদাংক অনুসৰণ কৰিয়ে ১৯৫০ চনত তেওঁ এমবিবিএছ (MBBS) পাঠ্যক্ৰম সম্পূৰ্ণ কৰা প্ৰথমজন নগা ব্যক্তি হিচাপে পৰিগণিত হয়। অৱশ্যে ফুটবলৰ প্ৰতি তেওঁৰ আকৰ্ষণ সৰুৰে পৰা স্পষ্ট হৈ পৰিছিল। ১৯৩৮ চনত গুৱাহাটীৰ কটন কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰাৰ পাছত তেওঁ কলেজৰ এথলেটিকছ আৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপেও নিৰ্বাচিত হৈছিল আৰু কলেজৰ ফুটবল দলটোৰ এজন নিয়মীয়া খেলুৱৈ হিচাপে বিভিন্ন স্থানীয় প্ৰতিযোগিতাত অংশ লৈছিল।

## বৰেণ্য ব্যক্তিত্ব

খেলপথাৰত আওৰ প্ৰতিভাই ব্যাপক স্বীকৃতি লাভ কৰিছিল। মূল ডিফেণ্ডাৰ (central defender, ফুটবল খেলৰ খেলুৱৈৰ এক স্থান) হিচাপে তেওঁৰ স্থিৰতা, কৌশলগত সজাগতা আৰু খেলখনক আগুৱাই লৈ যোৱা ক্ষমতাৰ বাবে তেওঁ পৰিচিত আছিল। কলিকতাৰ কাৰমাইকেল মেডিকেল কলেজত (বৰ্তমান আৰ জি. কৰ মেডিকেল কলেজ নামেৰে পৰিচিত) পঢ়ি থাকোঁতেই ১৯৪৩ চনত তেওঁ কলিকতাৰ বিখ্যাত মোহন বাগান ফুটবল ক্লাবত যোগদান কৰে আৰু ১৯৪৫ চনত পশ্চিমবংগক সন্তোষ ট্ৰফী জয় কৰাত সহায় কৰে। তেওঁ ১৯৪৮ চনৰ লণ্ডন অলিম্পিকৰ বাবে গঠিত ভাৰতীয় ফুটবল দলৰ অধিনায়কৰ দায়িত্ব লাভ কৰে।

প্ৰথম পৰ্য্যায়ত ফ্ৰান্সৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'লেও ভাৰতীয় দলৰ খালী ভৰিৰ খেলৰ সৌন্দৰ্য্যই ষ্টেডিয়ামৰ সকলোকে মোহিত কৰিছিল। খেলৰ শেষত সাংবাদিকে সোধাত খালী ভৰিৰে ফুটবল খেলাৰ আঁৰৰ কাৰণ হিচাপে আওৱে কৈছিল—'In India, we play football, whereas you play bootball.'

অলিম্পিকৰ পাছত ফুটবলাৰ হিচাপে শীৰ্ষত থকাৰ পাছতো তেওঁ চিকিৎসক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ আগ বাঢ়ি আহে। ১৯৫৩ চনত তেওঁ ক'হিমা হাস্পতালত চিকিৎসা অধীক্ষক হিচাপে যোগদান কৰে। ১৯৬৩ চনত নাগালেণ্ডে এখন পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা লাভ কৰাৰ পাছত আওক ৰাজ্যৰ প্ৰথম স্বাস্থ্য সেৱা সঞ্চালক হিচাপে নিযুক্তি দিয়া হয় আৰু ১৯৭৮ চনত অৱসৰ লোৱালৈকে তেওঁ এই পদত অধিষ্ঠিত হৈ থাকে।

দুৰ্ভাগ্যৰ বিষয় এয়ে যে জীৱিতকালত নাগালেণ্ডত কাৰ্য্যতঃ তেওঁৰ খেলুৱৈ প্ৰতিভাক আওকাণ কৰা হৈছিল। আওৰ ফুটবলৰ কৃতিত্বই গৃহভূমিত প্ৰাপ্য স্বীকৃতি লাভ কৰা নাছিল। ইয়াৰ কাৰণ সম্ভৱতঃ এয়ে আছিল যে যি সময়ত নাগালেণ্ডত ভাৰত বিদ্বেষী নগা সাৰ্বভৌমত্বৰ সংগ্ৰামে শিপাইছিল সেই সময়ত তেওঁ ভাৰতৰ হৈ খেলিছিল। তাৰ বিপৰীতে পশ্চিমবংগ আৰু অসমত তেওঁক যথেষ্ট শ্ৰদ্ধাৰে সন্মান জনোৱা হৈছিল। অসম চৰকাৰে কলিয়াবৰত এখন ষ্টেডিয়াম আৰু কটন কলেজৰ ইনড'ৰ ষ্টেডিয়ামখন আওৰ নামেৰে নামকৰণ কৰিছিল।

ফুটবলত উল্লেখযোগ্য কৃতিত্ব লাভ কৰাৰ পাছতো আও এজন নম্ৰ আৰু মৃদুভাষী ব্যক্তি হৈয়ে আছিল আৰু জীৱনৰ বাকীছোৱা সময় জনসেৱাৰ বাবে উৎসৰ্গা কৰিছিল।

১৯৯৮ চনৰ ১৩ ছেপ্টেম্বৰত টালিমেৰেন আওৰ মৃত্যু হয়। ভৱিষ্যৎ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰা এজন অগ্ৰণী খেলুৱৈ হিচাপে তেওঁৰ নাম ইতিহাসৰ পাতত খোদিত হৈ ৰ'ব। আওৱে দেখুওৱা বাটেৰে বাট বুলি বিভিন্নজনে পৰৱৰ্তী সময়ত ভাৰতক আন্তঃৰাষ্ট্ৰীয় মঞ্চত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হয়। ভাৰতীয় ফুটবল ক্ষেত্ৰখনত আওৰ অৱদান আৰু উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰত আওৰ প্ৰভাৱৰ স্বীকৃতি স্বৰূপে উত্তৰ-পূব ভাৰতৰ বাৰ্ষিক ফুটবল প্ৰতিযোগিতাখন ড° টি. আওৰ নামেৰে নামকৰণ কৰা হৈছে। ❖

## তোমালোকে জানানে?



পৃথিৱীৰ আটাইতকৈ ডাঙৰ প্ৰাণী নীলা তিমিৰ (blue whale) জন্মৰ সময়তেই ওজন প্ৰায় ৭ টন হয়। পূৰ্ণ অৱস্থাত ইয়াৰ ওজন হয়গৈ প্ৰায় ১৫৬ টন আৰু দীঘ হয়গৈ প্ৰায় ৩০ মিটাৰ। ইহঁতৰ জিভাখনৰ ওজনেই প্ৰায় ৩৫০ কিল'গ্ৰাম আৰু হৃদপিণ্ডটোৰ ওজন প্ৰায় ৫৫ কিল'গ্ৰাম। তিমি প্ৰকৃততে স্তন্যপায়ী প্ৰাণী যদিও সাগৰত থাকে কাৰণে বহুতে ইয়াক মাছ বুলি ভাবে। ইহঁতৰ বহুতো অংগ-প্ৰত্যংগ পানীত থকাৰ উপযোগীকৈ গঠিত। কেৱল শ্বাস-প্ৰশ্বাস ইহঁতে হাঁওফাঁওৰ সহায়ত লয় আৰু স্তন্যপায়ীৰ দৰে পোৱালি জগায়।

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া।'*

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২১৯ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 3 | 7 | 9 | 2 | 1 | 6 | 4 | 5 |
| 9 | 1 | 2 | 5 | 6 | 4 | 3 | 8 | 7 |
| 6 | 4 | 5 | 7 | 8 | 3 | 9 | 1 | 2 |
| 2 | 9 | 4 | 6 | 3 | 5 | 8 | 7 | 1 |
| 7 | 8 | 1 | 2 | 4 | 9 | 5 | 3 | 6 |
| 5 | 6 | 3 | 8 | 1 | 7 | 4 | 2 | 9 |
| 4 | 7 | 6 | 3 | 9 | 2 | 1 | 5 | 8 |
| 1 | 5 | 8 | 4 | 7 | 6 | 2 | 9 | 3 |
| 3 | 2 | 9 | 1 | 5 | 8 | 7 | 6 | 4 |

### চুড'কু ২২০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | 3 | | | 1 | 5 |
| | | 4 | | | | | | |
| | 8 | 9 | 6 | | | | | |
| | | | | | | | 3 | |
| | | | | | | | 7 | |
| | 5 | 6 | | | 9 | | | |
| 3 | | | | | | | | |
| | | | | | 4 | | | 9 |
| 7 | | | | 1 | | | | |

## তোমালোকে জানানে?

# পম্পিডিউ চেণ্টাৰ কি?




পেৰিছৰ পম্পিডিউ চেণ্টাৰ (Pompidou centre) এক বৃহৎ কলাকেন্দ্ৰ। এই কেন্দ্ৰৰ ভিতৰ-বাহিৰৰ ডিজাইন, এছকেলেটৰৰ বিভিন্ন নলী আৰু বাহিৰৰ পৰা থকা গাঁথনিক অৱলম্বন (structural support) আদিয়ে সকলোকে আকৰ্ষিত কৰি আহিছে। ই বিশ্বৰ সৰ্বাধিক পৰ্য্যটকে ভ্ৰমণ কৰা কলাকেন্দ্ৰসমূহৰ ভিতৰত অন্যতম। প্ৰতিদিনে পুৰা প্ৰায় ২৫ হাজাৰ শিল্পৰসিকে এই কলাকেন্দ্ৰটো দৰ্শন কৰে। ১৯৭২ চনৰ পৰা ১৯৭৬ চনৰ ভিতৰত পম্পিডিউ চেণ্টাৰ নিৰ্মাণ কৰা হৈছিল। ইয়াত একেখন ছাদৰ তলতে বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত হয়। পম্পিডিউ চেণ্টাৰত আছে আধুনিক কলাৰ এক সংগ্ৰহালয়, প্ৰদৰ্শনী, পুথিভঁৰাল, চলচ্চিত্ৰ প্ৰেক্ষাগৃহ, অধ্যয়ন কেন্দ্ৰ আদি। পৰৱৰ্তী সময়ত ইয়াক যেতিয়া প্ৰথমে দৰ্শকৰ বাবে মুকলি কৰা হয়, তেতিয়া ইয়াৰ অদ্ভুত ডিজাইনে যথেষ্ট বিতৰ্কৰ সূচনা কৰে। ফলত ই বহু কটু সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয়। বহুতে আনকি ইয়াক সাগৰীয় জাহাজ বা কাৰখানা বুলিও অভিহিত কৰিবলৈ লয়। অৱশ্যে পৰৱৰ্তী সময়ছোৱাত এই ডিজাইনে যথেষ্ট প্ৰশংসা অৰ্জন কৰে। এই কেন্দ্ৰৰ গাঁথনিত যথেষ্ট পাইপ বা নলী আছে আৰু বিভিন্ন কামৰ বাবে ব্যৱহৃত নলীবোৰক বিভিন্ন পৰিচয়সূচক ৰঙেৰে বোলোৱা হৈছে। সেই অনুসৰি নীলা নলীবোৰ বায়ুৰ কাৰণে, সেউজীয়াবোৰ পানীৰ কাৰণে আৰু হালধীয়াবোৰ বিদ্যুৎ পৰিবাহী লাইনৰ বাবে। মানুহে ব্যৱহাৰ কৰিবলগীয়া পথবোৰত ৰঙা ৰং দিয়া আছে। নলীৰ প্ৰাচুৰ্য্যৰ বাবে প্ৰথম দৃষ্টিত পম্পিডিউ চেণ্টাৰক ফেক্টৰী বা কাৰখানা যেনহে লাগে। ❖

# Frankenstein

■ **Neha Bora**

*(continued from March Issue)*

Victor, born in Naples, Italy, into a wealthy Genevan family. Victor and his younger brothers, Ernest and William, are sons of Alphonse Frankenstein. From a young age, Victor has a strong desire to understand the world. He is obsessed with studying theories of alchemists. But as he grew older, he realizes that such theories are considerably outdated. When Victor is five-years old, his parents adopt Elizabeth Lavenza whom Victor calls 'cousin'. Victor's parents later take in another child, Justine Moritz, who becomes William's nanny.




Weeks before he leaves for the University of Ingolstadt in Germany, his mother dies of scarlet fever; Victor buries himself in his experiments to deal with the grief. At the university, he excels at chemistry and other sciences, soon developing a secret technique to impart life to non-living matter. He undertakes the creation of a humanoid, but due to the difficulty in replicating the minute parts of the human body, Victor makes the Creature tall, which is about 8 feet in height, and proportionally large compared to a human. Victor works at gathering the vital organs by pilfering charnel houses, mortuaries and by entrapping and vivisecting feral animals. Despite Victor selecting its features to be beautiful, upon animation the Creature is instead hideous, with dull and watery yellow eyes and yellow skin that barely conceals the muscles and blood vessels underneath. Repulsed by his work, Victor flees. While wandering the streets the next day, he meets his childhood friend, Henry Clerval, and takes Henry back to his apartment, fearful of Henry's reaction if he sees the monster. However, when Victor returns to his laboratory, the Creature is gone.

Victor falls ill from the experience and is nursed back to health by Henry. After recovering he forgets about the Creature and goes into Henry's study of Oriental languages, which he considers the happiest time of his academic career. This is cut short when Victor receives a letter from his father notifying him of the murder of his brother William. Near Geneva, Victor sees a large figure and becomes convinced that his creation is responsible. Justine Moritz, William's nanny, is convicted of the crime after William's locket, which contained a miniature portrait of Caroline, is found in her pocket. Victor knows that no one will believe him if he testifies that it was the doing of the Creature; Justine is executed. Ravaged by grief and guilt, Victor takes up mountain climbing in the Alps. *Contd.*


Jyotirekha Kalita

## The longest drought on the Earth



Drought is a continuous period of dry weather, in which there is a little or no rain at all. It creates a water shortage that may cause damage to the crops, livestock and the environment. Due to drought, people in many countries loss their lives since lack of water leads to lack of food. Such countries can hardly recover to a normal state. Climate change, deforestation and global warming are some of the reasons for such situation. The Atacama desert is the driest place on the Earth. It is situated in northern Chile between the Andes and the Pacific Ocean. It receives less than 1 mm of rainfall per year. Some parts of the desert have no recorded rainfall at all. The longest drought is recorded in Calama region of the Atacama Desert. There had been no rain for four centuries (1571-1971). Due to the high altitude and extreme dry weather, it is difficult for any animals to survive in the Atacama desert. However some species like red scorpions, grey foxes, desert wasps and butterflies are found in the desert. ❖

## Formation of the Earth



The Earth is the fifth largest planet in the solar system. Scientists believe that the Earth was formed about 4.65 billion years ago. At that time, the solar system was a cloud of dust and gas known as solar nebula (a huge spinning disc). As it started spinning, the disc was separated into rings and the furious motion made the particles quite hot. The centre of the disc mixed together to become the sun. The particles in the outer rings turned into large fiery balls of gas and molten liquid. When it cooled down, it turned into solid and formed the planets. Thus, the planet Earth and the other planets as well formed. After cooling down, it gave off clouds of steam and gas. The moisture in these clouds eventually turned to rain. As a result, the first seas were formed. There were different gases in the atmosphere which moved like clouds and caused huge storms. ❖

# সুতুলি

■ হিমাদ্রী বৰা



কোনো এটা জাতি বা জনজাতিৰ শিল্প চেতনাৰ অন্যতম নিদৰ্শন হ'ল বাদ্যযন্ত্ৰসমূহ। গীত, নৃত্য, তাল, মান, লয় আদি ৰক্ষাৰ ক্ষেত্ৰত বাদ্যযন্ত্ৰসমূহৰ ভূমিকা সবাতোকৈ বেছি। অসমৰ লোকবাদ্যসমূহেও লোকগীত আৰু লোকনৃত্যৰ বিশেষত্ব প্ৰকাশত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এই লোকবাদ্যসমূহক ভাৰতীয় সংগীত শাস্ত্ৰৰ ভেটিত চাৰিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল—

**ঘন বাদ্য :** দুটা বস্তু সংঘাত কৰি বজোৱা বাদ্য। যেনে—তাল, টকা আদি।

**ততঃ বাদ্য :** তত বা তাঁৰেৰে প্ৰস্তুত কৰা বাদ্য। যেনে—টোকাৰী, বীণ আদি।

**অনৱদ্ধ বাদ্য :** জন্তুৰ ছালেৰে দুই মূৰ বা এটা মূৰ বন্ধ কৰি তৈয়াৰ কৰা বাদ্য। যেনে—ঢোল, ঢাক, নাগাৰা ইত্যাদি।

**সুষিৰ বাদ্য :** সুষিৰ বা বতাহেৰে সুৰৰ সৃষ্টি কৰা বাদ্য। যেনে—বাঁহী, পেঁপা, সুতুলি আদি।

অসমৰ এবিধ থলুৱা বাদ্য হৈছে সুতুলি। বিহুত সুতুলিৰ ব্যৱহাৰ অপৰিহাৰ্য্য। বিহু নামতো সুতুলিৰ উল্লেখ এইদৰে কৰা হৈছে—

সুতুলি সুতুলি মাটিৰে সুতুলি
সুতুলি কিহেৰে বাওঁ,
সুতুলি সুতুলি মাটিৰে সুতুলি
আঙুলি বোলায়ে বাওঁ।

অসমৰ লোকবাদ্যৰ অন্তৰ্গত সুতুলি মাটিৰে নিৰ্মিত এবিধ সুষিৰ বাদ্য। এই বাদ্যবিধ আদিতে গৰখীয়া ল'ৰাৰ বাদ্য আছিল, পাছলৈ আমাৰ বাপতি-সাহোন ৰঙালী বিহুত এই বাদ্যৰ ব্যৱহাৰ আৰম্ভ হয়।

সুতুলি নিৰ্মাণত সাধাৰণতে আলতীয়া মাটি ব্যৱহাৰ কৰা হয়। সুতুলি কেইবাটাও আকৃতিত গঢ়া হয়। কোনোটোৰ আকৃতি কণীটোৰ দৰে, কোনোটো ঘটটোৰ দৰে, কোনোটো আধৰুৱা জোনটোৰ দৰে, আকৌ কোনোটো ম'হৰ শিংটোৰ দৰে গঢ়া হয়। সুতুলিৰ ভিতৰভাগ ফোঁপোলা। মুখেৰে ফু দি বজাবৰ বাবে ওপৰফালে মাজত এটা ফুটা (ছিদ্ৰ) আৰু আঙুলি বোলাই সুৰ সৃষ্টি কৰিবৰ বাবে মাজৰ ছিদ্ৰটোৰ দুয়োফালে দুটা ছিদ্ৰ থাকে। সাধাৰণতে সুতুলিত তিনিটা ছিদ্ৰ থাকে।

আকৃতি-প্ৰকৃতিলৈ চাই সুতুলিক তিনিটা ভাগত ভাগ কৰা হয়। সেইকেইটা হ'ল—বটল সুতুলি, পিঠা সুতুলি আৰু পক্ষী সুতুলি।

মাটিৰে নিৰ্মিত সুতুলিত যদিও আলতীয়া মাটি ব্যৱহাৰ কৰা হয়, কিন্তু কেঁচুমতাৰ মাটিৰে সুতুলি নিৰ্মাণ কৰিলে সুৰ ভাল হয় বুলি এক পৰম্পৰাগত বিশ্বাস আছে। সেইদৰে কেঁকোৰা গাঁতৰ মাটি, উঁই হাঁফলুৰ কোমল মাটিৰ লগত আলতীয়া মাটি মিহলাই সুতুলি নিৰ্মাণ কৰিলেও মাত সুৰীয়া হয় বুলি জনবিশ্বাস প্ৰচলিত আছে। পৰৱৰ্তী সময়ত কাঠ বা বাঁহেৰেও সুতুলি নিৰ্মাণ কৰা দেখিবলৈ পোৱা যায়। অৱশ্যে মৰাণ জনগোষ্ঠীয়ে মাটিৰ সুতুলিৰ পৰিবৰ্তে বাঁহেৰে নিৰ্মিত সুতুলিহে ব্যৱহাৰ কৰে। সাধাৰণতে জাতি বাঁহেৰে সুতুলি নিৰ্মাণ কৰা হয়।

বিহু অনুষ্ঠানত সুতুলিৰ ব্যৱহাৰ অতীতৰে পৰা প্ৰচলিত হৈ আহিছে। অৱশ্যে এই বাদ্যটিক বিহু উৎসৱত ব্যৱহৃত লোকবাদ্যসমূহৰ ভিতৰত গৌণ বাদ্যৰূপে ধৰা হয়। সুতুলিৰ কোনো নিৰ্দিষ্ট ছেও বা চাপৰ নাই। কোনো এটা বিহুনামৰ আধাৰত সুতুলি বজোৱা হয়। সুতুলিৰ সুৰ ওঁঠৰ সুহুৰিৰ দৰে হয়।


নানা বিবৰ্তন, পৰিবৰ্তনৰ মাজেৰে আহি সুতুলি নামৰ এই লোকবাদ্যবিধে আজিৰ এই পৰ্য্যায়ত উপনীত হৈছে। তথ্য অনুসৰি প্ৰত্নতাত্ত্বিক খনন কাৰ্য্যত পোৱা সুতুলিৰ দৰে বাদ্যৰ ভগ্নাৱশেষৰ পৰা এই বাদ্যবিধ প্ৰাক্ ঐতিহাসিক কালৰ বুলি চিনাক্ত কৰা হৈছে। ❖

# মানসিক সামৰ্থ্য বিকাশ

## ভাগ - ১

■ ৰবীন্দ্ৰ বৰ্মন

1. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?




a) 6 b) 7 c) 10 d) 11

2. ÷ আৰু × চিন আৰু 10 আৰু 5ক পৰস্পৰ সালসলনি কৰিলে তলৰ কোনটো শুদ্ধ হ'ব?

a) (30 ÷ 5) × 10 = 24
b) (30 × 10) ÷ 5 = 60
c) (30 ÷ 10) × 5 = 18
d) (10 ÷ 30) × 5 = 70

3. a, b, cৰ মানবোৰ ক্ৰমে কি হ'ব?

| | | |
|---|---|---|
| 18 | 23 | 16 |
| 17 | 19 | a |
| 22 | b | c |

a) 26, 24, 25 b) 15, 21, 20 c) 21, 15, 20 d) 25, 24, 26

4. এজন মানুহে এটা নিৰ্দিষ্ট স্থানৰ পৰা 2 কিমি. পূবলৈ গ'ল, তাৰ পৰা দক্ষিণ দিশত ঘূৰি 6 কিমি. গ'ল, তাৰ পৰা পূব দিশত ঘূৰি 2 কিমি., তাৰ পৰা উত্তৰ দিশলৈ ঘূৰি 12 কিমি. গ'ল। আৰম্ভণী স্থানৰ পৰা মানুহজন এতিয়া কিমান দূৰত আছে?

a) 7 কিমি. b) 7.1 কিমি. c) 7.2 কিমি. d) 7.3 কিমি.

5. Germany : Mark : : Morocco : ?

a) Dollar b) Lira c) Dirham d) Kroon

6. LJHF : USQO : : QOMK : ?

a) QPSR b) PNMK c) VTRP d) YXWU

7. COUNTRY : FRXQWUB : : EXAMINE : ?

a) HAPDLQH b) HAPDLQH c) HAHPLDQ d) GBQDVWB

**উত্তৰ :** 1. b 2. b 3. c 4. c
5. c 6. c 7. b

# মানসিক সামৰ্থ্য বিকাশ

## ভাগ - ২

তলৰ প্ৰশ্নসমূহৰ ‘?’ চিন থকা ঠাইত কি বহিব?

1. AC, EG, IK, MQ, ?

a) PR b) QS c) QR d) PS

2. AC, FH, KM, PR, ?

a) UX b) TV c) UW d) VW


3. DKY, FJW, HIU, JHS, ?

a) LFQ b) LGQ c) KGR d) KFR

4. A, CD, GHI, ? , UVWXY

a) LMNO b) NOPQ c) KLMN d) MNOP

5.





a) 40 b) 30 c) 20 d) 10

6.

| | | |
|---|---|---|
| 16 | 25 | 9 |
| 36 | 64 | 81 |
| 10 | 13 | ? |

a) 14 b) 11 c) 12 d) 13

7.




a) 720 b) 72 c) 7200 d) 38

**উত্তৰসমূহ :**

1. b 2. c 3. b 4. d 5. b 6. c 7. a

# এটি সপোনৰ পম খেদি

■ ঋতুমল্লিকা গোস্বামী
হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী

মিলি খক্‌মক্‌কৈ সাৰ পাই উঠিল। তাইৰ ডিঙিটো কিহবাই সোপা মাৰি ধৰা যেন লাগিল। লাইটটো জ্বলাই এঢোক পানী খাই তাই অলপ শান্ত হ'বলৈ যত্ন কৰিলে।

হয়, তাই আকৌ একেটা সপোনকে দেখিছে। একেৰাহে পাঁচদিন। কিয় বাৰু? কি সম্পৰ্ক তাইৰ এই সপোনটোৰ লগত? তাই দেখে, কেইজনমান বিশেষ ধৰণৰ পোছাক পৰিহিত মানুহে এজনী যুৱতীক বৰ বেয়াকৈ অত্যাচাৰ কৰিছে। জীৱন-মৰণৰ যুঁজ খেলি থকা ছোৱালীজনীৰ কাতৰ মুখখন দেখিলে যিকোনো মানুহৰে আপোনা-আপুনি চকুপানী ওলাই আহিব। তাইৰ মুখখন অনিন্দ্য সুন্দৰ, চকুহাল হৰিণীৰ দৰে, ওঁঠযুৰি যেন দুপাহ তেজাল পদুম। এনেহেন সৌন্দৰ্য্যৰ অধিকাৰী সেই ছোৱালীজনীক বাৰু সেই নৰপিশাচকেইটাই কিয় মাৰিছে? তাইৰ মগজুত হাজাৰ চিন্তাৰ বা-মাৰলী। তাই লাহেকৈ মোবাইলটো হাতত তুলি ল'লে। ৰাতি ২ বাজিছে। সমগ্ৰ জগত তেতিয়া নিদ্ৰাদেৱীৰ কোলাত। তাইকো টোপনিয়ে হেঁচা মাৰি ধৰিলে।



ট্ৰিং ট্ৰিং। এলাৰ্মটো বন্ধ কৰি মিলিয়ে পুনৰ এঘণ্টা শোওঁ বুলি ভাবিলে। ৰাতি তাইৰ টোপনি নাহিলেই। কিন্তু অশেষ চেষ্টা কৰিও শুব নোৱাৰিলে তাই। সেই ছোৱালীজনীৰ মৰণকাতৰ মুখখনে তাইক বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। অৱশেষত উপায়বিহীন হৈ তাই মাককে ফোন কৰিলে। মাকে প্ৰথমতে খুব ভয় খাইছিল মিলিৰ কিবা হোৱা বুলি। কিন্তু পাছ মুহূৰ্ততে তেওঁ মন দি শুনিলে মিলিৰ সপোনটো। তেওঁ থিৰাংকৈ একো ক'ব নোৱাৰিলে। অৱশ্যে মাকে সপোনটো ইমান গভীৰভাৱে লোৱা নাছিল। তেওঁ ক'লে যে, অফিচৰ কামৰ বোজাত তাই এনেবোৰ নাভূত-নাশ্ৰুত সপোন দেখিছে। কিন্তু মিলি সহজ হ'ব নোৱাৰিলে। তাইৰ ভাব হ'ল, সপোনটোৰ মাজত কিবা নহয় কিবা ৰহস্য লুকাই আছে। তাই আৰু ৰ'ব নোৱাৰিলে। এসপ্তাহ পাছতে আছিল দুৰ্গা পূজাৰ বন্ধ। গতিকে তাই সিদ্ধান্ত ল'লে, এইবেলি পূজাত তাই ঘৰলৈ নগৈ শিৱসাগৰৰ মৰমৰ আইতাকৰ ঘৰলৈ যাব। মাকহঁতক নজনোৱাকৈ। তাইৰ দৃঢ়বিশ্বাস, আইতাকে তাইক সন্ধান দিব সেই ৰহস্যময়ী ছোৱালীজনীৰ। অৱশেষত ষষ্ঠীৰ দিনাই তাই যাত্ৰা আৰম্ভ কৰিলে শিৱসাগৰলৈ, এটি সপোনৰ পম খেদি।

দুপৰীয়া ২ মান বজাত মিলি আইতাকৰ নানাৰঙী ফুলেৰে ভৰপূৰ পদূলিটোত উপস্থিত হ'ল। লগে লগে তাই উভতি গ'ল শৈশৱৰ সেই সোণোৱালী দিনবোৰলৈ। বহুপৰ মন্ত্ৰমুগ্ধৰ দৰে তেনেকৈয়ে ৰৈ থাকিল তাই। আইতাকে আহি ডাঙৰকৈ মতাতহে তাইৰ তন্দ্ৰা ভাগিল। আইতাকৰ আকৌ নাতিনীয়েকক ইমান দিনৰ মূৰত দেখি গা সাতখন-আঠখন হৈছে। মিলিক আদৰ-সাদৰ কৰি, খুৱাই-বোৱাই কত কি যে কৰিছে তেওঁ। ৪ মান বজাত খোৱা-বোৱা পৰ্ব শেষ হোৱাত আইতাকে মিলিক লৈ বিছনালৈ গ'ল। তেতিয়াই তাই আচল কথাটো উলিয়ালে।

গোটেই সপোনটো আঁতি-গুৰি মাৰি আইতাকক ক'লে। বহুপৰ তভক মাৰি আইতাক বহি ৰ'ল। তাৰ পাছত আইতাকে মানুহকেইগৰাকীৰ পিন্ধন-উৰণ কেনে সুধিলে। সকলো কথা বুজি তেওঁ ক'লে যে, নিশ্চয় সপোনটোৰ চৰিত্ৰকেইটা আহোমসকলৰ দিনৰ। আইতাকে কিবা এটা ভাবি মিলিক পাছদিনা এঠাইলৈ নিম বুলি ক'লে। মিলিৰ এনে লাগিল যেন তাই এক ঘন ৰহস্যৰ মাজলৈ সোমাই গৈছে, ক্ৰমে গভীৰৰ পৰা গভীৰতৰলৈ।


পাছদিনা সপ্তমী পূজা। সকলোৰে মনবোৰ উদুলি-মুদুলি। মণ্ডপবোৰত দেৱী প্ৰতিমাৰ আগত পুৰোহিতে মন্ত্ৰ মাতিবলৈ ধৰিছে। কিন্তু এই দৃশ্যাৱলী উপভোগ কৰাৰ আগতেই মিলিক আইতাকে তাইৰ খুৰাকৰ লগত লৈ ওলাল। মিলিৰ কিছু শংকা হ'ল, কিন্তু তাৰ লগে লগে আনন্দও লাগিল। লাহে লাহে সিহঁতৰ গাড়ীখন এখন পাহাৰলৈ উঠি গ'ল। চৰাইদেউ, তাই চিনি পালে। এঠাইত আহি খুৰাকে গাড়ীখন ৰখালে। অলপ ঘূৰা-পকা কৰি আইতাক আৰু তাই এটা জুপুৰিৰ দৰে সৰু ঘৰলৈ গ'ল। তাত এগৰাকী বৃদ্ধাই অকলশৰে বাস কৰে। মিলিৰ আইতাকে বৃদ্ধাগৰাকীৰ সৈতে কিছু কথা-বতৰা পাতি মিলিক তাইৰ সপোনটো সম্পূৰ্ণকৈ ক'বলৈ দিলে। মিলিৰ প্ৰতিটো কথাই বৰ মনোযোগেৰে শুনিলে তেওঁ। চকু মুদি কিবা ভাবি বৃদ্ধাগৰাকীয়ে আবেগিকভাৱে ক'লে—"কি আচৰিত ! এয়া দেখোন সোণকুঁৱৰীৰ কাহিনী। কোৱা হয় যে, আহোম ৰাজবংশৰ ভিতৰত সবাতোকৈ সুন্দৰী আছিল সোণকুঁৱৰী। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ নুমলী জী সোণকুঁৱৰী। ৰূপে-গুণে অতুলনীয় সোণকুঁৱৰীক বিয়া কৰাবলৈ নানা ৰাজ্যৰ পৰা নানান প্ৰস্তাৱ আহিছিল। কিন্তু সোণকুঁৱৰীয়ে দেউতাকক কৈছিল যে তাই বিয়া নহয়। তাই নিজৰ ভৱিত নিজে থিয় দিব। তদুপৰি, তাই ৰাজ্য শাসনৰ ক্ষেত্ৰতো মনোনিবেশ কৰিব বিচাৰে। প্ৰথমাৱস্থাত ৰুদ্ৰ সিংহই আলাসৰ লাডু সোণকুঁৱৰীক তাই ভালপোৱা সকলো কামকে কৰিবলৈ দিছিল। স্বৰ্গদেৱে ভাবিছিল যে দিন গ'লে সোণকুঁৱৰী বিয়াৰ বাবে মান্তি হ'ব। কিন্তু সময়ে সোণকুঁৱৰীৰ ওচৰত হাৰ মানিলে। তাই কোনো বিবাহ প্ৰস্তাৱকে গ্ৰহণ নকৰিলে। নিজৰ মততে অটল থাকি তাই কেৱল ৰাজ্যৰ প্ৰজাগণৰ হিতৰ বাবে কাম কৰি যাবলৈ বিচাৰিলে। সকলো প্ৰজাৰে তাই নয়নৰ মণি হৈ পৰিল। স্বৰ্গদেউ জীয়াই থকালৈ সোণকুঁৱৰী সম্পূৰ্ণ স্বাধীন আছিল। কিন্তু, স্বৰ্গদেউৰ মৃত্যুৰ পাছত সোণকুঁৱৰীক দুৰ্ভাগ্যই লগ নেৰা হ'ল। দেউতাকৰ মৃত্যুৰ পাছত সিংহাসনত আৰোহণ কৰিলে তাইৰ জ্যেষ্ঠ ভ্ৰাতৃ শিৱ সিংহই। শিৱ সিংহৰ পত্নী ফুলেশ্বৰীয়ে সোণকুঁৱৰীৰ ৰূপ-ঐশ্বৰ্য্য সহ্য কৰিব পৰা নাছিল। যেতিয়া ফুলেশ্বৰী বৰৰজা হ'ল তেতিয়া সোণকুঁৱৰীৰ জীৱনলৈ নামি আহিল ঘোৰ অমানিশা। ফুলেশ্বৰীৰ শংকা হ'ল যে ৰাজ্য শাসনত সোণকুঁৱৰী ফুলেশ্বৰীৰ আগত হেঙাৰ হৈ থিয় দিব। সেয়ে ফুলেশ্বৰীয়ে সোণকুঁৱৰীক পাৰে মানে অত্যাচাৰ কৰিবলৈ ধৰিলে। এনেদৰে নানান অত্যাচাৰৰ বলি হৈ শেষত এদিন সোণকুঁৱৰীয়ে প্ৰাণত্যাগ কৰিলে। সোণকুঁৱৰীৰ মৃত্যুৰ কথা ৰজাঘৰে কাকো একো নজনালে। কিন্তু এজন চাওদাং, যি আমাৰ গাঁৱৰেই আছিল, তেওঁ মোৰ আজোককাক সোণকুঁৱৰীৰ বিষয়ে কৈছিল আৰু আজোককাৰ পৰাই মই জানিছিলোঁ সোণকুঁৱৰীৰ কথা।"

বহু সময় কথা কৈ কৈ বৃদ্ধাগৰাকী ৰ'ল। মিলি স্তব্ধ হৈ গৈছিল। তাই ভাবিলে, সমগ্ৰ অসমে জয়মতী, মূলা গাভৰুৰ ত্যাগক সগৌৰৱেৰে সোঁৱৰে। কিন্তু পাহৰণিৰ গৰ্ভত হেৰাই গ'ল সোণকুঁৱৰীৰ জীৱন গাথা। এনেদৰে যুগে যুগে কত নাৰী, নাৰীৰেই হিংসাৰ দাবানলত জ্বলি-পুৰি মৰিছে। সোণকুঁৱৰীৰ দৰে কত বীৰাংগনাৰ গাথা ইতিহাসে মোহাৰি পেলায়। সোণকুঁৱৰীক মই পুনৰ জীয়াই তুলিম, লিখি যাম তেওঁৰ বীৰ গাথা আৰু পুনৰ আগ বাঢ়ি যাম আন এটি সপোনৰ পম খেদি। ❖

# এলবাৰ্ট আইনষ্টাইন

## মৃত্যু দিৱসত (১৮ এপ্ৰিল) মহান বিজ্ঞানীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি

■ জেনিশা চন্দনা হালৈ
ষষ্ঠ শ্ৰেণী



পৃথিৱীৰ বৰেণ্য বিজ্ঞানীসকলৰ ভিতৰত এলবাৰ্ট আইনষ্টাইন অন্যতম। ১৮৭৯ চনৰ ১৪ মাৰ্চ তাৰিখে জাৰ্মানীৰ উল্ম চহৰত তেওঁৰ জন্ম হৈছিল। তেওঁৰ মাক পউলিন ক'খ আৰু দেউতাক হাৰমেন আইনষ্টাইন। ১৮৮০ চনত দেউতাক আৰু খুৰাক জেকবে মিউনিখত এটা বৈদ্যুতিক কাৰখানা খোলা বাবে তেওঁ মিউনিখৰে এখন সৰু বিদ্যালয়ত পঢ়িছিল। কিন্তু এই বিদ্যালয়খনত শৃংখলাৰ প্ৰতি ইমানেই গুৰুত্ব দিয়া হৈছিল যে এলবাৰ্টে পঢ়া-শুনাত ৰস নাপাইছিল, বিৰক্তিহে পাইছিল। আইনষ্টাইন বেহেলা বজোৱাতো পাৰদৰ্শী আছিল। ১৫ বছৰ বয়সত ভূগোল, বুৰঞ্জী আদিত ডিগ্ৰী-ডিপ্ল'মা ল'ব নোৱৰা বাবে তেওঁ মিলানলৈ ঘূৰি গৈছিল। তাৰ পাছত তেওঁ জুৰিখৰ বিখ্যাত পলিটেকনিক অকাডেমিৰ পৰা ১৯০০ চনত স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ ১৯০৩ চনত তেওঁৰ বান্ধৱী মিলভো মেৰিকক বিয়া কৰায়। সেই সময়তেই আইনষ্টাইনে 'অণুৰ আকাৰৰ নতুন সন্ধান' নামৰ গৱেষণা পত্ৰৰ (থেছিছ) বাবে জুৰিখ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ প্ৰধান আৱিষ্কাৰ হ'ল আপেক্ষিকতাবাদৰ সূত্ৰ। আইনষ্টাইনে ১৯১৪ চনত জাৰ্মানীৰ বাৰ্লিনত প্ৰুছিয়ান অকাডেমি অৱ ছায়েন্সত অধ্যাপক হিচাপে যোগ দিছিল।

আইনষ্টাইনক ১৯২১ চনৰ পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা প্ৰদান কৰা হৈছিল। কিন্তু এই বঁটা প্ৰাপ্তিৰ বহু আগতেই তেওঁ বিশ্ববিখ্যাত বিজ্ঞানী হিচাপে স্বীকৃত হৈছিল। ক্ষমতাৰ প্ৰতি আইনষ্টাইনৰ কোনো আকৰ্ষণ নাছিল। ১৯৫২ চনত তেওঁক ইজৰাইলৰ ৰাষ্ট্ৰপতিৰ পদ যচা হৈছিল, কিন্তু তেওঁ সেই পদ গ্ৰহণ নকৰিলে। আইনষ্টাইনে বিশ্বশান্তি আৰু মানৱতাবাদত বিশ্বাস কৰিছিল। তেওঁ যুদ্ধ আৰু মাৰণাস্ত্ৰৰ বিৰোধী আছিল। প্ৰথম বিশ্বযুদ্ধৰ পাছত গোটেই পৃথিৱীতে শান্তি প্ৰতিষ্ঠা কৰা কামত তেওঁ আগভাগ লৈছিল।

আইনষ্টাইনে মানুহক কৌতূহলী হ'বলৈ কৈছিল আৰু সমস্যাৰ লগত যুঁজিবলৈ কৈছিল। তেওঁ কৈছিল, "মোৰ বিশেষ প্ৰতিভা নাই; মই মাথোন তীব্ৰ কৌতূহলী। মই অতি বুধিয়ক নহয়, কিন্তু সমস্যাৰ লগত মই যথেষ্ট সময় অতিবাহিত কৰোঁ।"

মানুহক ভুলৰ পৰা শিকিবলৈ তেওঁ উৎসাহিত কৰিছিল। তেওঁ কৈছিল, "যি ব্যক্তিয়ে ভুল কৰা নাই, তেওঁ কেতিয়াও নতুন কাম কৰিবলৈ যত্ন কৰা নাই।"

আইনষ্টাইনে সমাজত চলি থকা ধৰ্মীয় বিশ্বাস আৰু পূজা-পাতল আদিত বিশ্বাস নকৰিছিল। তেওঁ সাধাৰণ জীৱন যাপন কৰি ভাল পাইছিল আৰু যথেষ্ট অনুভূতিপ্ৰৱণ আছিল। ১৯৫৫ চনৰ ১৮ এপ্ৰিল তাৰিখে প্ৰিন্সটন হাস্পতালত চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়। ❖

# ফাগুন

■ **স্বৰগম তালুকদাৰ**
দশম শ্ৰেণী

ফাগুন বুলিলে মন উৰে
নীলাৰ বুকুত চিলা এখনৰ দৰে
টৌৰে টৌৰে উৰে পলাশ
শিমলুৰ ৰং,
পদূলিত পৰি ৰয় এজাপ সৰাপাত
বুকুত অনামী বিষ।
লঠঙা গছত কোনে উচুপে
পাগলাদিয়াৰ ধূলিয়ৰি বাটত
কোন গাভৰুৰ আঁচল উৰে।
ফাগুন আছে বাবেইতো
বসন্ত ইমান ধুনীয়া
ফাগুনী শুকান উদাস বাবেইতো
ব'হাগী জীপাল, সেউজীয়া
ফাগুনেইতো সোঁৰৰায় শৈশৱৰ
সুমধুৰ স্মৃতিৰ কথা,
আবেগৰ স্মৃতিক ধূসৰিত কৰা
অতীতৰ পুৰণি স্মৃতিৰ কথা
ফাগুন বুলিলেই
মন উৰে,
ৰিঙা বুকুত
উক দিয়ে ব'হাগে
এই ফাগুনেই
ৰঙৰ ফাকু খেলে। ❖

# তৰা

■ **অনুৰাগ পাটোৱাৰী**
ষষ্ঠ শ্ৰেণী

আকাশত জিকমিক কৰি থাকে তৰাই
পৃথিৱীত বহি চাওঁ মই নয়ন ভৰাই।
জোনৰ লগত ৰাতি ৰাতি পোহৰ বিলায়
আকাশখন কি যে জকমকায়
তৰাবোৰ আমাৰ পৰা বহু দূৰত
তথাপি পোহৰ দিয়ে আমাৰ আকাশত
গধূলি হ'লেই বেলি লহিয়ায়
তেতিয়াই তৰাবোৰ উঠে তিৰবিৰাই ❖

# অ' দেউতা

■ **নিচান প্ৰতীম ভৰদ্বাজ**
অষ্টম শ্ৰেণী

শৈশৱৰ দিনবোৰ
ঘূৰাই পোৱা হ'লে
আকৌ এবাৰ উমলিব পাৰিলোঁহেঁতেন
অ' দেউতা
তোমাৰ হাতত ধৰি
আবেলি পৰত
আকৌ খেলিলোঁহেঁতেন
অ' দেউতা
তোমাৰ পৰাই হাজাৰ
দুখক নেওচি
মনোবল আয়ত্ত কৰিছিলোঁ
অ' দেউতা
তোমাৰ পৰশত জীপাল হৈ উঠে
আমাৰ সূৰুযমুখী স্বপ্ন
নোৱাৰোঁ তোমাৰ ঋণ সুজিব
অ' দেউতা
মাথোঁ কওঁ প্ৰতি জনমত যেন
দেউতাৰ ৰূপত তোমাকেই পাওঁ ❖

# বংগোপসাগৰৰ পাৰত এখন্তেক

■ উপাসনা চৌধুৰী
অষ্টম শ্ৰেণী





সৰুৰে পৰাই সাগৰ এখন নিজ চকুৰে দেখাৰ আৰু বিমানত ভ্ৰমণ কৰাৰ মোৰ বৰ হেঁপাহ আছিল। যথা সময়ত এই হেঁপাহ পূৰণ হ'ল। দেউতাৰ সিদ্ধান্ত অনুসৰি আমি যোৱা ২০২৩ চনৰ ১ নৱেম্বৰ তাৰিখে তামিলনাডুলৈ ৰাওনা হ'লোঁ। এই যাত্ৰাত মোৰ সংগী আছিল মোৰ আইতা আৰু মা-দেউতা। পিছদিনা অৰ্থাৎ ২ নৱেম্বৰ তাৰিখে আমি ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি ১১ মান বজাত হোটেলৰ পৰা ওলাই গ'লোঁ। প্ৰথমে গ'লোঁ মোৰ আশা পূৰণ কৰিবলৈ বুলি মেৰিনা বীচচলৈ। তাত থকা সাগৰখনেই আছিল বংগোপসাগৰ। সাগৰখন নিজ চকুৰে চাই মোৰ কেনেকুৱা অনুভৱ হৈছিল সেয়া মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। সাগৰৰ পাৰত কিছু সময় থাকিলোঁ। সাগৰত হেঁপাহ পলুৱাই গা ধুলোঁ আৰু ফটো উঠিলোঁ। ১ মান বজামানলৈ তাতেই থাকিলোঁ। তাৰ পাছত গ'লো বজাৰ কৰিবলৈ। আমি পুৰাছাইৱালকাম ৰোডত থকা এখন মাৰ্কেটলৈ গ'লোঁ আৰু চিনস্বৰূপে কিছু বস্তু কিনিলোঁ। সন্ধিয়া ৭ মান বজাত হোটেললৈ গ'লোঁ আৰু খাই-বৈ শুই থাকিলোঁ। ৫ নৱেম্বৰ তাৰিখে আমি শেষবাৰৰ বাবে বেছিভাগ ঠাই ফুৰিলোঁ। তাৰ ভিতৰত আছিল অষ্টলক্ষ্মী মন্দিৰ, ভাল্লুভাৰ কত্তাম, কন্যাকুমাৰীত থকা থিৰুভাল্লুভাৰ মূৰ্তি আদি। ইয়াৰ ভিতৰত মোৰ অষ্টলক্ষ্মী মন্দিৰ আৰু কন্যাকুমাৰীস্থিত থিৰুভাল্লুভাৰ মূৰ্তিটো দেখি ভাল লাগিল। অষ্টলক্ষ্মী মন্দিৰৰ সমান ডাঙৰ মন্দিৰ মই দেখাই নাছিলোঁ। মন্দিৰত ভক্তিভাৱেৰে সেৱা কৰিলোঁ। থিৰুভাল্লুভাৰ মূৰ্তিটো ইমান বিশাল আছিল যে মই মূৰ্তিটোৰ ভৰিৰ আঙুলিকেইটাৰ বাদে একো স্পৰ্শ কৰিব নোৱাৰিলোঁ।

তাত থকা দিনকেইটা বৰ আনন্দেৰে পাৰ হৈছিল। কিছুমান দৃশ্য দেখি মোহিত হৈছিলোঁ। তামিলনাডুৰ ৰাস্তা-ঘাটবোৰ বৰ চাফ-চিকুণ আছিল। ৰাস্তাৰে গৈ থাকোঁতে এনে লাগিছিল যেন অৰণ্যৰ ৰাস্তাৰেহে গৈ আছোঁ। বাঁহ গছবোৰ অসমৰ তুলনাত কেইবাগুণো ডাঙৰ আছিল। তামিলনাডুৰ এটা বিশেষ কথাই মোক বৰ আকৰ্ষিত কৰিছিল। সেয়া হ'ল যে তাৰ হোটেল বা দোকান- পোহাৰবিলাকত খোৱা বস্তু কলপাতততহে দিয়া হয়। অৱশেষত ৬ নৱেম্বৰ তাৰিখে আমি আবেলি ৪ বাজি ৪৫ মিনিটত ফ্লাইটত উঠি ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। ৫ দিন থকাৰ অন্তত তাৰ পৰা আহিবৰ একেবাৰেই ইচ্ছা নাছিল। সন্ধিয়া ৭ বাজি ৫০ মিনিটত তামিলনাডুৰ এবুকু স্মৃতি বুকুত বান্ধি গুৱাহাটী পালোঁহি। তামিলনাডু ভ্ৰমণৰ স্মৃতি মোৰ মনত চিৰদিন সজীৱ হৈ থাকিব। ❖

# সোণকোষ নদী

■ চিংকুমণি অধিকাৰী



নদীমাতৃক ৰাজ্য অসমৰ নদীৰ সৈতে সম্পৰ্ক অতি প্ৰাচীন। নদীক পূজা কৰা এই অসম মুলুকত নদীৰ সৈতে জড়িত বহু মুখৰোচক কাহিনীও লোক সমাজত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশালতা আৰু পাৰাপাৰহীন সৌন্দৰ্য্যই আমাক মোহিত কৰি ৰখাৰ সমান্তৰালকৈ সৰু-বৰ কেতবোৰ উপনৈৰেও চহকী অসমৰ প্ৰাকৃতিক সম্পদৰ তালিকাখন। ব্ৰহ্মপুত্ৰ নদীৰ অন্যতম গুৰুত্বপূৰ্ণ দক্ষিণবাহিনী উপনদী হিচাপে পৰিচিত এখন নদী হৈছে সোণকোষ নদী।

সোণকোষ নদীৰ উৎপত্তি ভুটানৰ হিমালয় পৰ্বতমালাৰ দক্ষিণাংশৰ পৰা হৈছে। নদীখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য, ঐতিহাসিক প্ৰাসংগিকতা, অৰ্থনৈতিক গুৰুত্ব আৰু পৰিবেশীয় বৈশিষ্ট্যৰ বাবে এই নদীখন অঞ্চলটোৰ এক অপৰিহাৰ্য্য অংগ। পৰ্বতীয়া ঢালৰ পৰা নামি অহা সোণকোষে ভূটানৰ মাজেৰে প্ৰায় ১০৫ কিল'মিটাৰ পথ অতিক্ৰম কৰি ভাৰত-ভূটান সীমান্ত অতিক্ৰম কৰিছে আৰু ভাৰতত প্ৰৱেশ কৰি ই অসমৰ বঙাইগাঁও আৰু ধুবুৰী জিলাৰ মাজেৰে বৈ গৈছে। ধুবুৰী জিলাৰ চাপৰতলা অঞ্চলৰ ওচৰত ই ব্ৰহ্মপুত্ৰ নদীত লগ লাগিছে।

লোকবিশ্বাস মতে এই নদীৰ বালিত সোণৰ কণিকা পোৱা গৈছিল। সেইবাবে এই নদীখনৰ নাম সোণকোষ। সোণকোষ নামটোৰ অৰ্থ হৈছে সোণৰ ভাণ্ডাৰ। পুৰণি কালত স্থানীয় মানুহে নদীৰ পাৰৰ বালি চাফা কৰি সোণ সংগ্ৰহ কৰা বুলি লোককথা প্ৰচলিত আছে। কিছুমান ঐতিহাসিকৰ মতে, এই নদীৰ মাজেৰে সোণৰ বেহা-বেপাৰ চলিছিল। ভূটানৰ পৰা বৈ অহা লোহাৰি নদী আৰু অসমৰ পৰা সংযুক্ত হোৱা গদাধৰ নদী ইয়াৰ মুখ্য উপনদী।

সোণকোষ নদীৰ পানীৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ ধুবুৰী, বঙাইগাঁও আদি জিলাৰ লক্ষাধিক কৃষকে ধান, মৰাপাট, সৰিয়হ আদি শস্য উৎপাদন কৰে। গতিকে অৰ্থনৈতিক দিশৰ পৰা ইয়াৰ যথেষ্ট গুৰুত্ব আছে। সোণকোষ নদীৰ কাষৰীয়া অঞ্চলত বহুতো ঐতিহাসিক স্থান আৰু মন্দিৰ আছে। সোণকোষ নদীৰ প্ৰাকৃতিক পৰিবেশ অক্ষুন্ন ৰখাটো বৰ্তমান সময়ত এক প্ৰত্যাহ্বান হৈ পৰিছে। চৰকাৰে নদীখনৰ পানীৰ গুণাগুণ উন্নত কৰিবলৈ আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে সোণকোষ প্ৰকল্প হাতত লৈছে। পৰিবেশগত গুৰুত্বৰ উপৰি সোণকোষ নদী ইয়াৰ অৱবাহিকাত বসবাস কৰা লোকসকলৰ জীৱিকাৰ অবিচ্ছেদ্য অংগ। নদীখনৰ বাৰ্ষিক বানপানী প্ৰায়ে ধ্বংসাত্মক হ'লেও এই পানীয়ে বিস্তৃত অঞ্চলৰ মাটি পুষ্টিকৰ পলসেৰে পুনৰ ভৰাই তোলে, যাৰ ফলত অঞ্চলটোৰ কৃষি উৎপাদনশীলতা বৃদ্ধি পায়।

সোণকোষ নদীখনৰ পানী নীলা-সেউজীয়া ৰঙৰ সমাহাৰ। বিভিন্ন লোকে প্ৰকৃতিৰ নৈসৰ্গিক শোভা উপভোগ কৰিবলৈ এই নৈৰ পাৰলৈ বনভোজ খাবলৈ আহে। আনহাতে ভাৰত আৰু ভূটানে এইখন নদীত কেইবাটাও জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ বাবে স্বাক্ষৰ কৰিছে যাৰ ভিতৰত দুটা অন্যতম হৈছে পুনাটছাংচু-১ এইচ ই পি আৰু পুনাটছাংচু-২ এইচ ই পি। এই জলবিদ্যুৎ প্ৰকল্পসমূহে প্ৰয়োজনীয় বিদ্যুতৰ অভাৱ দূৰ কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। ❖

# কোট্টিয়াথি যুদ্ধ

■ নৱনীতা কলিতা

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আটাইতকৈ দীৰ্ঘদিনীয়া সংগ্ৰামখনেই আছিল কোট্টিয়াথি যুদ্ধ। ১৭৯৩ চনৰ পৰা ১৮০৬ চনলৈ সুদীৰ্ঘ তেৰ বছৰ কাল এই যুদ্ধ চলিছিল। বৰ্তমান কেৰালাৰ কোট্টায়ম ৰাজ্যৰ ৰজা পাঝাছি ৰাজা কেৰালা বাৰ্মা আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত ধাৰাবাহিকভাৱে এই যুদ্ধ সংঘটিত হৈছিল। পাঝাছি ৰজা কেৰালা বাৰ্মাৰ নিঃস্বাৰ্থ দেশপ্ৰেমৰ নিদৰ্শন পোৱা যায় এই যুদ্ধৰ মাজেৰে। নিজ দেশৰ স্বাধীনতা ৰক্ষাৰ্থে তথা ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিশ্বাসঘাতকতাৰ উচিত প্ৰত্যুত্তৰ স্বৰূপে পাঝাছি ৰাজাই তেওঁৰ জীৱনৰ অন্তিমটো দিনলৈকে নিৰৱিচ্ছন্নভাৱে অকলেই শক্তিশালী ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে যুঁজ দি গৈছিল। তেওঁৰ এই সাহস তথা বীৰত্বৰ বাবে তেওঁক 'কেৰালাৰ সিংহ' নামেৰে বিভূষিত কৰা হৈছিল।



কোট্টায়াম ৰাজ বংশৰ ৰজা আছিল পাঝাছি ৰাজা। দূৰদৰ্শী পাঝাছি ৰাজাই অতি সোনকালেই বুজি উঠিছিল ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিভিন্ন অভিসন্ধিৰ কথা। বিভিন্ন ষড়যন্ত্ৰ তথা কূট-কৌশলেৰে ভাৰতৰ ৰাজ্যসমূহক বিভাজিত কৰি প্ৰতিখন ৰাজ্যৰ ৰজাসকলৰ একতা ভংগ কৰি নানা কৌশলেৰে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিজৰ সাম্ৰাজ্য বিস্তাৰৰ প্ৰচেষ্টা চলাইছিল। কোনো কোনো ঠাইত বিভিন্ন প্ৰলোভনেৰেও ভাৰতৰ ৰজাসকলৰ মাজত বিভিন্ন ক্ষেত্ৰত মতভেদ সৃষ্টি কৰি দেশখনক টুকুৰা-টুকুৰ কৰাৰ অহৰহ চেষ্টা চলাই গৈছিল এই কোম্পানী বাহিনীয়ে। কিন্তু নিজ দেশৰ স্বাধীনতা ৰক্ষাৰ হেতু প্ৰাণদান দিবলৈও কুণ্ঠাবোধ নকৰা পাঝাছি ৰাজা কেৰালা বাৰ্মাই কোম্পানীৰ কোনো প্ৰলোভনকেই প্ৰশ্ৰয় দিয়া নাছিল।

ইয়াৰ উপৰি ১৭৯২ চনত কোম্পানীয়ে মালাবাৰৰ ৰজাসকলৰ সন্মুখত ৰখা চৰ্তসমূহৰ উমান পাই পাঝাছি ৰজা বিচলিত হৈছিল। ১৭৯০ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কোট্টায়াম ৰজাৰ সৈতে এখন চুক্তি কৰিছিল, যিখনে কোট্টায়ামৰ স্বাধীনতাক সন্মান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ১৭৯২ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে হোৱা আলোচনাৰ সময়ত কোট্টায়ামক প্ৰতিনিধিত্ব কৰিছিল পাঝাছি ৰাজাৰ ককাক বীৰা বাৰ্মাই। বীৰা বৰ্মাই কোম্পানীৰ সৈতে চুক্তিবদ্ধ হোৱা চুক্তিখনৰ মূল কেইটামান চৰ্ত আছিল— ৰজাক আগৰ দৰে মুক্তভাৱে শাসন কৰিবলৈ স্বাধীনতা প্ৰদান কৰা, 'অত্যাচাৰ-অভিযোগ' সন্দৰ্ভত সোধা-পোছা কৰিবলৈ এজন বিষয়া নিযুক্তি দিয়া, কোম্পানীৰ ফালৰ পৰা দুজন ব্যক্তি আৰু ৰজাৰ ফালৰ পৰা দুজন ব্যক্তিক কোট্টায়ামৰ ভূমি ৰাজহৰ মূল্যায়ন কৰিবলৈ দিয়া ইত্যাদি।

কিন্তু পৰৱৰ্তী সময়ত এই চুক্তিৰ কোনো চৰ্তই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মানি চলা নাছিল আৰু ক্ৰমান্বয়ে ৰজাসকলৰ ইচ্ছামতে শাসন কৰাৰ অধিকাৰ কাঢ়ি লোৱা হৈছিল। ফলত তেওঁলোকে নিজৰ অৰ্থনীতিৰ ওপৰতো নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল। ক্ৰমান্বয়ে কোম্পানীৰ শাসন আৰু পাঝাছি ৰাজাৰ মতামত সম্পূৰ্ণ বিপৰীতমুখী হৈ পৰিছিল। পৰিবেশ নিয়ন্ত্ৰণৰ বাহিৰ হোৱাত ৰজাৰ দুজন বিশ্বাসী সম্ভ্ৰান্ত লোক কাইথেৰী অম্বু আৰু কন্নৱত শংকৰণৰ সহযোগত পাঝাছি ৰজাই নিজৰ দেশৰ

স্বাধীনতা আৰু ঐক্য ৰক্ষাৰ্থে বিশাল ইষ্ট ইণ্ডিয়া বাহিনীৰ বিৰুদ্ধে অকলেই থিয় দিয়ে।

লগে লগে আৰম্ভ হয় এক যুদ্ধ। ১৭৯৩ চনত আৰম্ভ হৈ ধাৰাবাহিকভাৱে চলি যায় এই যুদ্ধ। আৰালম আৰু ৱাইনাড নামৰ পাহাৰীয়া অৰণ্যৰ কোট্টিয়ট নামে ঠাইত এই যুদ্ধৰ মূল শিবিৰ পাতিছিল। সেয়েহে এই যুদ্ধক কোট্টিয়াথি যুদ্ধ নামে জনা যায়। এই শিবিৰৰ পৰাই মহীশূৰৰ পৰা আৰব সাগৰলৈকে আৰু কুৰ্গৰ পৰা কয়ম্বাটুৰলৈকে এক বৃহৎ অঞ্চলৰ কাম-কাজ পৰিচালনা কৰা হৈছিল। কোট্টিয়টত সেনাই গেৰিলা যুদ্ধ চলাইছিল। ১৭৯৩ চনৰ পৰা চলা এই যুদ্ধত মাজে মাজে দুয়োপক্ষৰ মাজত আলোচনা হয় যদিও কোনো ফল নধৰাত যুদ্ধ অব্যাহত থাকে। ক্ৰমান্বয়ে এই যুদ্ধই বিস্তৃত ৰূপ ধাৰণ কৰে। ১৮০৫ চনৰ নৱেম্বৰ মাহৰ ৩০ তাৰিখে যুদ্ধত পাঝাছি ৰাজাৰ মৃত্যু হয়। ৰজাৰ মৃত্যুৰ লগে লগে এই দীৰ্ঘদিনীয়া ধাৰাবাহিক যুদ্ধৰ অন্ত পৰে আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কোট্টায়াম ৰাজ্য অধিকাৰ কৰে।

এংলো-মহীশূৰ যুদ্ধ, এংলো-মাৰাঠা যুদ্ধ, এংলো শিখ যুদ্ধ আৰু পলাশী যুদ্ধতকৈও বহু দীঘলীয়া এই কোট্টিয়াথি যুদ্ধ। সম্পূৰ্ণ তেৰ বছৰ কাল স্বাধীনতাৰ হকে সংগ্ৰাম কৰি অৱশেষত ৰণস্থলীতে প্ৰাণ হেৰুওৱা সিংহপুৰুষ পাঝাছি ৰাজাৰ মৃত্যুৰ পাছত ৰজাৰ পত্নী কুঞ্জনীক ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বন্দী কৰে। কিন্তু সিংহপুৰুষৰ স্বাভিমানী পত্নীয়ে ইংৰাজৰ বশ্যতা স্বীকাৰ নকৰি বন্দীশালতে আত্মহত্যা কৰে। পৰৱৰ্তী সময়ত কোম্পানীয়ে প্ৰতিশোধ হিচাপে ৰজাৰ সকলো সম্পত্তি জব্দ কৰে আৰু পাঝাছি ৰাজাৰ ৰাজপ্ৰাসাদ ভাঙি সেই ঠাইৰ মাজেৰে ঘাইপথ নিৰ্মাণ কৰোৱায়। 'ইণ্ডিয়া প্ৰেছিডেন্সি আৰ্মি ৰেজিমেণ্ট'ত উল্লেখ থকা অনুযায়ী এইখনেই আছিল আটাইতকৈ বেছি ৰক্তক্ষয়ী আৰু কঠিনতম যুদ্ধ। ❖

**নিবন্ধ**

# ব'হাগেই বতৰ কিজানি

**■ অপৰাজিতা বৰা**

ব'হাগৰ বতৰ বুলিলেই অসমীয়া মানুহৰ মনলৈ আহে প্ৰকৃতিৰ কোলা শুৱনি কৰা কপৌ, তগৰ, কেতেকী আদি ফুলৰ মন মতলীয়া কৰা গোন্ধ আৰু সৌন্দৰ্য্যৰ কথা। মনত পৰে ঢোলৰ গুমগুমনি, ক'লী দৈ ম'হৰ শিঙৰ পেঁপাৰ টিহিটি টিল ল' মাতলৈ; মনত পৰে গাঁৱৰ জীয়ৰী-বোৱাৰীৰ তাঁতশালত মাকোৰ খিটখিটনিলৈ। শালত থকা গামোচাজুতি বিহুচেৰা হ'বলৈ যে দিব নোৱাৰি। দূৰণিৰ পৰা ভাহি অহা হুঁচৰিৰ ঘোষা-পদ, লহৰি, নাচনী ছেও শুনি অসমীয়াৰ মন সাতখন-আঠখন কৰে। ডেকাতো বাদেই বুঢ়া লোকৰো মন ৰাইজাই কৰে। এয়া ব'হাগৰ বতৰৰেই প্ৰভাৱ। এই বতৰৰ প্ৰভাৱ কেৱল যে প্ৰকৃতি জগততে পৰে এনে নহয়, এই সময়ত মানুহৰ মনো ক্ৰিয়াশীল হৈ উঠে। এই সময়তে অহা বৰষুণজাকে কেৱল প্ৰকৃতিকে আনন্দিত কৰে তেনে নহয়, মানুহকে ধৰি সকলো জীৱ-জন্তুকে আনন্দিত কৰে। বৰষুণজাক ডাঙৰকৈ আহিলেও বাৰিষা কালৰ দৰে বাট-পথ বোকাময় কৰি নোতোলে। গৰুৰ খুৰাৰ পানীডোঙাত আকাশ চাব পৰা হৈয়ে থাকে। ব'হাগৰ নকৈ অহা বৰষুণজাকৰ স্পৰ্শত দুবৰিকেইডালেও মূৰ দাঙি উঠে। প্ৰকৃতিৰ সঁজাল ধৰা ৰূপত পশু-পখীৰ আনন্দৰ সীমা নোহোৱা হয়। আমে মলিয়ায়, কঁঠালে মুচি পেলায়। আমৰ ডালত কুলি-কেতেকীৰ মৌ বৰষা মাত শুনি অনামী কবিৰ হিয়া উঠলি উঠে 'আমে মলিয়ালে/চামে মলিয়ালে/কঁঠালে পেলালে মুচি/ বছৰেকৰ বিহুটিত বিহু নামাৰিলে/মনটো নালাগে শুচি। বৰদৈচিলাজনীয়ে হিলদল ভাঙি মাকৰ ঘৰলৈ যায়। গঞাই বৰদৈচিলাক



চোতালত পীৰা পাৰি কাকৈ-ফণি উলিয়াই দিয়ে এই আশা কৰি যাতে বৰদৈচিলাজনীয়ে আউলী-বাউলী হৈ চুলি মেলি নগৈ চুলিটাৰি ফণিয়াই লাহে-ধীৰে গৈ গঞাৰ ক্ষয়-ক্ষতি কমকৈ কৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই বৰদৈচিলাক লৈ গাইছে—'সাহসৰ বৰষুণ বোকোচাত লৈ/চিলাজনী উৰিছিল ধুমুহা হৈ/তাই অসমলৈ আগতে আহিছিলে/আহি, হিলদল ভঙা এটি মন দিছিল/আৰু নানা জাতি-উপজাতি একে কৰিছিল।'

ব'হাগৰ এই সময়ছোৱাত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ অসমলৈ আগমন ঘটে। পৃথিৱীৰ যিবোৰ অঞ্চল সাগৰ-মহাসাগৰে আগুৰি আছে তাত মৌচুমী বতাহ বেছিকৈ পৰিলক্ষিত হয়। ঋতু পৰিবৰ্তনৰ লগে লগে উষ্ণতা আৰু চাপৰ তাৰতম্যৰ ফলত মৌচুমী বতাহৰ দিশ সলনি হৈ অসম অভিমুখে আহে যদিও লানি নিছিগা ওৰা পতা বৰষুণ অসমত এই সময়ত দেখা নাযায়। উত্তাপ আৰু আৰ্দ্ৰতাৰ সমাহাৰত গছ-লতিকা অংকুৰিত হৈ প্ৰকৃতিয়ে বিনন্দীয়া ৰূপ ধাৰণ কৰে। নানা তৰহৰ বনৰীয়া সুগন্ধি ফুল ৰমক-জমককৈ ফুলি বাটৰুৱাক আহ্লাদিত কৰে। বাৰীৰ ঢাপৰ কেতেকী ফুল, ৰবাব টেঙাৰ ফুলৰ মন বিহ্বল কৰা গোন্ধে মানুহক আনমনা কৰে। ঢেপাই তিতা, ভেবেলী লতা ফুলি বাৰী-ঘৰ চমকাই তোলে—'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি/ফুলিলে ভেবেলি লতা/কৈনো কৈ থাকোঁ মানে ওৰকে নপৰে/ব'হাগৰ বিহুৰে কথা'। সঁচা, ব'হাগৰ বতৰৰ ৰাগি আছে, এই ৰাগি মানুহৰ দেহ-মনত লগাৰ আগতে প্ৰকৃতিৰ বুকুত লাগে। প্ৰকৃতিৰ বুকুৰ পৰা সঞ্চাৰিত হয় মানুহকে মুখ্য কৰি জীৱ-জন্তুৰ গালৈ। নহ'লেনো গঞাই গৰু বিহুৰ দিনা গৰু-গাইক উদ্দেশ্য কৰি গায়নে—'লাউ খা বেঙেনা খা/বছৰে বছৰে বাঢ়ি যা/মাৰ সৰু বাপেৰ সৰু/তই হ'বি বৰ গৰু' বুলি। বিহু আহিল বুলি গাত তত্ নোহোৱা গঞাৰ হাতৰ কামৰ ওৰ নপৰে। গৰু-গাইবোৰৰ বাবে তৰাগছ বিচাৰি নাপালে মৰাপাটৰে হ'লেও নতুন পঘা বটা, গৰু বিহুৰ দিনা পদূলিত যাগ দিবলৈ বিহলঙনি, খেৰ আদি গোটাই অনা এশ-এবুৰি কাম। সেইদৰে গৃহিণীজনীয়ে বাৰীত খুতৰা, মাটিকাঁদুৰি, ভূতমূলা, টিকনি বৰুৱা, বাবৰি আদি শাক বিচাৰি বিহুৰ ভাতসাঁজৰ বাবে যোগাৰ কৰি থয়। গধূলিলৈ পদূলিমুখত হুঁচৰি যোৱাই নাম জুৰিবহি আহি 'স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ/দুলীয়াই পাতিলে দোলা/কাণত জিলিকিলে নৰা জাংফাই/গাতে গোমচেঙৰ চোলা'। অতীজৰে পৰা চলি অহা হুঁচৰিৰ পৰম্পৰা জানো এৰিব পাৰি?

এনেকৈয়ে ব'হাগৰ বতৰে সকলোকে ৰাগি লগাই মন-মগজু আনন্দিত কৰি তোলে। সেয়েতো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই গাইছিল, 'ব'হাগ মাথোঁ এটি ঋতু নহয়/নহয় এটি মাহ/অসমীয়া জাতিৰ ই আয়ুস ৰেখা/গণ জীৱনৰ ই সাহ'। ❖

# কুইজৰ উত্তৰসমূহ

১। দেউৰী ২। বাম্বোল পিটা। শৰণীয়া কছাৰীসকলৰ ৩। তিৱা ৪। টকা ৫। চিংফৌ ৬। দেউৰী ৭। কামৰূপৰ পাতিৰাভাসকলে ৮। মৰাণ ৯। পঃৰাগ। নৰা ছিগা বিহুও বোলে ১০। সোণোৱাল ১১। কাৰ্বিসকলৰ ১২। টাই আহোম ১৩। ৰাভাসকলৰ ১৪। হাজংসকলে ১৫। গগনা ১৬। বুবুৰেঙা। ❖

# জ্ঞানমালিনী

■ **পলাশ কুমাৰ নাথ**



অসমীয়া সাহিত্যত ‘জ্ঞানমালিনীৰ কবি’ হিচাপে জনাজাত মফিজুদ্দিন আহমদ হাজৰিকা জোনাকী যুগৰ এজন উল্লেখযোগ্য কবি। অৱশ্যে জোনাকী যুগৰ কবি হ’লেও তেওঁৰ কবিতাত জোনাকী যুগৰ কবিতাৰ বিশেষত্ব প্ৰকাশ পোৱাৰ সলনি ‘চুফীবাদ’ নামৰ এক বিশেষ আধ্যাত্মিক দৰ্শনৰহে প্ৰকাশ ঘটিছিল। এইগৰাকী কবিয়ে তেওঁৰ অন্যতম সৃষ্টি ‘জ্ঞানমালিনী’ (১৮৯৬) কবিতাপুথিখনৰ জৰিয়তে অসমীয়া সাহিত্য জগতত খ্যাতি ৰাখি থৈ গৈছে। তেওঁৰ আন দুখন কবিতাপুথি হ’ল তত্ত্বপাৰিজাত আৰু মালিনীৰ বীণ।

‘জ্ঞানমালিনী’ কবিতাপুথিখনত ছটা কবিতা সন্নিৱিষ্ট হৈছে। কবিতাকেইটা হ’ল— বিশ্বখনিকৰ, মৰিশালীখনি, মুনিচুনি বেলি, মইমতালি ভাবৰ ভেটি উছন, আত্মন আৰু দিনকণা।




মফিজুদ্দিন আহমদ হাজৰিকাৰ প্ৰথম সৃষ্টি হ’ল— ‘মৰিশালীখনি’ নামৰ কবিতাটি। কবিতাটিত সংসাৰৰ অনিত্যতা আৰু শূন্যতা গভীৰভাৱে প্ৰকাশ পাইছে। মানুহৰ জীৱনটো ক্ষণস্থায়ী। গতিকে এই ক্ষণস্থায়ী জীৱনটোত মানুহে গৰ্ব-অহংকাৰ কৰি একো লাভ নাই। কাৰণ মৃত্যুৰ পাছত সকলোৱে মৰিশালীতহে স্থান পায়।

তেওঁৰ দ্বিতীয়টো কবিতা ‘মুনিচুনি বেলি’ত যুৱ প্ৰজন্মক ভাল কৰ্ম কৰিবলৈ আহ্বান জনাইছে। ‘বিশ্বখনিকৰ’ কবিতাত সৃষ্টিকৰ্তা ঈশ্বৰৰ গুণাৱলী বৰ্ণনা কৰিছে। এই বিশাল সৃষ্টিৰ আঁৰত ঈশ্বৰ লুকাই আছে, যি এই সমস্ত বিশ্বৰ আদি আৰু অন্ত, যাক আমি চাক্ষুষ দৃষ্টিৰে দেখা নাপাওঁ। কবিয়ে কৈছে—

“দেখা নাই যদিস্যাতো আছে ত্ৰিলোকৰ
নিশ্চয় নিশ্চয় এটি বিশ্বখনিকৰ।”

‘মইমতালি ভাবৰ ভেটি উছন’ কবিতাত কবিয়ে নিজকে এটি নগণ্য প্ৰাণী বুলি প্ৰকাশ কৰিছে। জীৱন কালত মানুহে কৰা গৰ্ব, অহংকাৰ, ফিতাহি আদি সকলো মিছা।

“তো-দৰে জীৱটি আছ বা না’য়েই
কোনে নো কৰিছে কাণ?
পাহৰি কোনেও লেখতো নধৰে,
এনুৱা এখুদু প্ৰাণ।”

‘আত্মন’ কবিতাটিত কবিয়ে মানুহক জীৱনৰ ভোগ-বিলাস ত্যাগ কৰি পৰকালৰ বাবে সাজু হ’বৰ বাবে আহ্বান জনাইছে। ‘জ্ঞানমালিনী’ৰ শেষৰ কবিতাটো হ’ল ‘দিনকণা’। কবিতাটিত মানৱ জীৱনৰ চৰম নিঃসংগতা আৰু অসহায় অৱস্থা ফুটি উঠিছে। অৱশেষত ঈশ্বৰৰ চৰণতেই কবিয়ে আত্মসমৰ্পণ কৰি সংসাৰৰ পৰা মুক্তি বিচাৰিছে।

“এবে তোমাকহে খাটোঁ
হে প্ৰভু ! দয়াময় !
আজি মহা বিপদত,
বিতত-বিচুৰ্তি মই।”

অসমীয়া সাহিত্যৰ কাব্য ফুলনিত এপাহি স্বৰ্গীয় পাৰিজাত স্বৰূপ ‘জ্ঞানমালিনী’ এখন গভীৰ তত্ত্বমূলক কবিতাপুথি। ইয়াৰ কবিতাবোৰৰ দৰ্শন হ’ল—চুফীবাদ। ‘জ্ঞানমালিনী’ৰ যোগেদিয়েই অসমীয়া আধুনিক সাহিত্যলৈ চুফীবাদৰ আগমন ঘটে। ‘জ্ঞানমালিনী’ত প্ৰকাশ পোৱা আধ্যাত্মিক ভাব সহজ তথা গভীৰ। ❖

# মুদ্ৰাস্ফীতি

■ অপৰ্ণা দেৱী




অৰ্থবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ বিষয়বস্তু হৈছে মুদ্ৰাস্ফীতি। মুদ্ৰাস্ফীতিৰ ইংৰাজী প্ৰতিশব্দ হৈছে ইন্‌ফ্লেছন (inflation)। যি হাৰত সামগ্ৰী আৰু সেৱাৰ মূল্যৰ সাধাৰণ স্তৰ এটা সময়ৰ ভিতৰত বৃদ্ধি পায়, যাৰ ফলত ধনৰ ক্ৰয় ক্ষমতা হ্ৰাস পায়, তাকে মুদ্ৰাস্ফীতি বোলে। সহজ ভাষাত ক'বলৈ হ'লে মুদ্ৰাস্ফীতিৰ সৃষ্টি হ'লে একে পৰিমাণৰ ধনেৰে আগৰ তুলনাত কম সামগ্ৰী আৰু সেৱা ক্ৰয় কৰা হয়।

অৰ্থবিজ্ঞানত সামগ্ৰিক মূল্যৰ স্তৰ বৃদ্ধি হ'লে মুদ্ৰাস্ফীতিৰ সৃষ্টি হয় বুলি কোৱা হয় যদিও মুদ্ৰাস্ফীতিক চাৰিটা মূল ভাগত ভগাব পাৰি। সেই ভাগকেইটা হ'ল— চাহিদাজনিত মুদ্ৰাস্ফীতি, ব্যয়ৰ লগত জড়িত মুদ্ৰাস্ফীতি, মজুৰি মূল্যৰ লগত জড়িত মুদ্ৰাস্ফীতি আৰু অত্যধিক মুদ্ৰা যোগানৰ বাবে হোৱা মুদ্ৰাস্ফীতি।

শিক্ষাৰ্থীসকল, মুদ্ৰাস্ফীতি হৈছে এটা অৱস্থা বা পৰিস্থিতি। সেই অৱস্থা বা পৰিস্থিতি সৃষ্টি হোৱাৰ মূল কাৰণসমূহৰ বিষয়ে জানিবলৈ হ'লে প্ৰথমতে আমাৰ চাহিদা (demand) আৰু যোগান (supply) সম্পৰ্কীয় ধাৰণা স্পষ্ট হ'ব লাগিব। কোনো এটা সামগ্ৰীৰ প্ৰতি থকা ইচ্ছা আৰু আকাংক্ষাৰ লগতে সেই সামগ্ৰীটো দাম দি কিনাৰ ক্ষমতাকে চাহিদা বোলে। সহজ অৰ্থত যোগান হৈছে উপলব্ধতা। অৰ্থাৎ কোনো এটা সামগ্ৰীৰ বা সেৱাৰ উৎপাদনৰ অংশ উপভোক্তাৰ বাবে উপলব্ধ হোৱাই হৈছে যোগান। উৎপাদনকাৰীয়ে যি অংশ বিক্ৰীৰ বাবে বজাৰলৈ লৈ যায়, সেয়াই হ'ল এক অৰ্থত যোগান। যেতিয়া কোনো সেৱাৰ বা সামগ্ৰীৰ চাহিদা যোগানতকৈ বেছি হয়, তেতিয়া মূল্য আৰু অধিক হয়। এয়াই চাহিদাজনিত মুদ্ৰাস্ফীতি যেতিয়া উৎপাদনৰ ব্যয় বৃদ্ধি পায়, তেতিয়া সামগ্ৰী বা সেৱাৰ মূল্যও বৃদ্ধি পায়। সেয়াই হৈছে ব্যয়ৰ লগত জড়িত মুদ্ৰাস্ফীতি।

জীৱন যাপনৰ ব্যয় বৃদ্ধিৰ বাবে শ্ৰমিকসকলে অধিক মজুৰিৰ দাবী কৰে, ব্যৱসায়ীসকলে লাভৰ হাৰ বজাই ৰাখিবলৈ মূল্য বৃদ্ধি কৰে। এই চক্ৰটো অব্যাহত থাকে বাবে মুদ্ৰাস্ফীতি অব্যাহত থাকে।

অত্যধিক মুদ্ৰা যোগানে মুদ্ৰাস্ফীতি সংঘটিত কৰে। যদি কোনো কেন্দ্ৰীয় বেংকে অধিক মুদ্ৰা ছপা কৰে, তেন্তে ইয়াৰ মূল্য কমি যায়। অধিক মুদ্ৰা প্ৰচলনৰ ফলত মানুহে অধিক খৰচ কৰে, চাহিদা বৃদ্ধি পায় আৰু দাম বৃদ্ধি হয়। সেই পৰিস্থিতিত কেতিয়াবা চৰকাৰে মুদ্ৰা ছপা কৰি ঘাটিৰ বিত্তীয় সাহায্য প্ৰদান কৰে।

সাধাৰণতে গ্ৰাহক মূল্য সূচকাংক (consumer price index) আৰু উৎপাদক মূল্য সূচকাংকৰ (producer price index) দ্বাৰা মুদ্ৰাস্ফীতি জুখিব পাৰি।

গ্ৰাহক মূল্য সূচকাংক হৈছে এনে এক পৰিমাপ, যিয়ে সময়ৰ লগে লগে সামগ্ৰী আৰু সেৱাৰ বাবে গ্ৰাহকে দিয়া মূল্যৰ গড় পৰিৱৰ্তন অনুসৰণ কৰে। ই মুদ্ৰাস্ফীতিৰ এক মূল সূচক। উৎপাদক মূল্য সূচকাংকই উৎপাদকসকলৰ দৃষ্টিকোণৰ পৰা মূল্যৰ অৰ্থাৎ পাইকাৰী মূল্যৰ পৰিৱৰ্তন জুখিব পাৰে। কোনো সামগ্ৰীৰ দাম গ্ৰাহকৰ ওচৰ পোৱাৰ আগতে পাইকাৰী পৰ্য্যায়ত মুদ্ৰাস্ফীতিৰ প্ৰতিফলন ঘটে। ❖



পানামা খাল



সুতুলি



বৰ মুখা



লো-টোকাৰী মুখা



মুখ মুখা

# BEACON

INTEGRATED SCIENCE ACADEMY

FOR EXCELLENCE IN SCIENCE CAREERS

## ASSAM JATIYA BIDYALAY

NOONMATI, GUWAHATI-781020



**BEST OF**

**SCHOOLING + COACHING**

**UNDER ONE ROOF**

**Board:**

**ASSEB (XI+XII)**

**Medium:**

**ENGLISH**



**Entrance Preparation :**

**NEET (Medical)**

**IIT-JEE (Engineering)**

**NEST (NISER)**

**IAT (IISER)**

**ASSAM CEE**

